মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, APRIL 07, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৯৯ Guwahati, Assam ।। মূল্যঃ এটকা

## সোনম ৱাংচুকক দমনৰ চেষ্টা কেন্দ্ৰৰ, ১৪৪ ধাৰা জাৰি ■ যাত্ৰা স্থগিত

# লাদাখত যুদ্ধংদেহি পৰিৱেশ

**লেহ, ৬ এপ্ৰিলঃ** পূৰ্ণ ৰাজ্য আৰু সংবিধানৰ ষষ্ঠ অনুসূচী প্ৰযোজ্য কৰাৰ দাবীৰে কেন্দ্ৰীয় শাসিত ৰাজ্য লাদাখত পৰিৱেশ সুৰক্ষা কৰ্মী তথা উদ্ভাৱক বিজ্ঞানী সোনম ৱাংচুকে অব্যাহত ৰখা প্ৰতিবাদক দমনৰ বাবে উঠি-পৰি লাগিছে কেন্দ্ৰ চৰকাৰ। যোৱা ২৬ মাৰ্চত ২১ দিনীয়া অনশন সমাপ্ত হোৱাৰ পিছতো কোনো ফল নধৰাত ২৭ মাৰ্চত ৱাংচুকে ৭ এপ্ৰিলৰ পৰা চীন সীমান্তলৈকে মহাত্মা গান্ধীৰ 'দাণ্ডি



যাত্ৰা'ৰ আৰ্হিৰে 'পশ্বমিনা যাত্ৰা'ৰ আহ্বান জনাইছিল। এই আহ্বানৰ পিছতে লাদাখৰ প্ৰশাসনে লেহ জিলাত তৎকালে বলৱৎ হোৱাকৈ ১৪৪ ধাৰা জাৰি কৰিছে। ২১ দিনীয়া অনশন শেষাংশ ২ পৃষ্ঠাত



ভোট ভিক্ষাৰ বিশেষ মুহূৰ্ত

## নিৰ্বাচন! নিমাওমাও মণিপুৰ

**ইম্ফল, ৬ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ ধামখুমীয়াত ব্যস্ত হৈ পৰিছে সমগ্ৰ দেশ। ৰাস্তাই ঘাটে ওলমিছে নিৰ্বাচনী দলৰ ডাঙৰ ডাঙৰ পোষ্টাৰ। দলৰ ব্যস্ত তাৰকা প্ৰচাৰকসকলে দিনে-নিশাই অনুষ্ঠিত কৰিছে ইখনৰ পিছত সিখন নিৰ্বাচনী প্ৰচাৰ সভা। কিন্তু সমগ্ৰ দেশজুৰি চলা এই লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ মাজতো নিমাওমাও হৈ আছে উত্তৰ-পূৰ্বৰ ৰাজ্য শেষাংশ ৪ পৃষ্ঠাত

## ৫ লাখকৈ! দিল্লীত চলিছে শিশুৰ বেহা

**নতুন দিল্লী, ৬ এপ্ৰিলঃ** এটি সদ্যজাত কণমানিৰ দাম পাঁচ লাখ টকা! শেহতীয়াকৈ দিল্লীত এক শিশু সৰবৰাহ চক্ৰৰ বিৰুদ্ধে চলোৱা অভিযানৰ শেষাংশ ৪ পৃষ্ঠাত

৯ পৃষ্ঠাত

## সোণোৱালৰ দাবী, অসমত এতিয়া আৰু 'কা' সমস্যা নহয়

৭ পৃষ্ঠাত

## টকা লৈ গোচৰ প্ৰত্যাহাৰ কৰা নাইঃ সুমিত্ৰা ৰাভা



ন-বিজেপিৰ জীৱন! আমন-জিমন মন...

## ৰাজমোহন অযোগ্য, টুইট ডিজিপিৰ

■ সবিশেষ ৫ পৃষ্ঠাত

## পদমৰ্যাদা পাহৰি চৰকাৰৰ গুণ গালে অধ্যক্ষ দৈমাৰীয়ে

■ সবিশেষ বাতৰি ১১ পৃষ্ঠাত চাওক

## চিপিআইএমে শ্ৰমিকক ঠগাইঃ ক'লে ভৰেশে

সবিশেষ ৬ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰীয়ে দিয়া গেৰাণ্টি ফাঁকি হ'ব নোৱাৰে বুলি দাবী মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, ৬ এপ্ৰিলঃ** আজি যোৰহাট জিলাৰ তিতাবৰত এখন বিশাল নিৰ্বাচনী সভাত অংশ লয় মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাই। বিশাল নিৰ্বাচনী সভাত অংশ লৈ মুখ্যমন্ত্ৰীয়ে ৰণডংকা বজাই। পুৱাৰে পৰা তিতাবৰৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ শেষাংশ ২ পৃষ্ঠাত

## ব্যতিক্ৰমী সাহিত্যিক ডঃ প্ৰণৱজ্যোতি ডেকাই সামৰিলে জীৱন-নাট

### আজীৱন সোঁতৰ বিপৰীতে কৰি গ'ল চিন্তা



**ই-সংবাদ, ৬ এপ্ৰিলঃ** "মই প্ৰথমে বোন্দাকেঁচুক থিয় হ'বলৈ শিকাব বিচাৰিছিলোঁ। পিছত বুজিলো যে বোন্দাকেঁচুৰ ৰাজহাড় নাই। তাৰো বহুদিনৰ পিছত বুজিলোঁ যে যি পৰিৱেশত বোন্দাকেঁচু থাকে, সেই পৰিৱেশত ৰাজহাড় থাকিলে বাচি থাকিবও নোৱাৰে। পৰিৱেশৰ বাহিৰলৈ গৈ শিক্ষা দিয়াৰ কচৰৎ কৰি লাভ নাই।" শেষাংশ ৩ পৃষ্ঠাত

## ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিজেপিৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, ৬ এপ্ৰিলঃ** ১৯৮০ চনৰ ৬ এপ্ৰিলত প্ৰতিষ্ঠা কৰা হৈছিল গেৰুৱা দল বিজেপিক। আজি আছিল বিজেপিৰ প্ৰতিষ্ঠা দিৱস। বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দল বুলি দাবী কৰি অহা বিজেপি দলটোৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে শেষাংশ ৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# লাদাখত যুদ্ধংদেহি পৰিৱেশ

ভংগ কৰি পৰিৱেশ সুৰক্ষা কৰ্মীগৰাকীয়ে লাদাখৰ জনতাক ভাৰত-চীন সীমান্তত থকা ছাৰাগাহ ভূমিত হোৱা চীনা অধিগ্ৰহণৰ প্ৰকৃত সত্যৰ সম্ভেদ কৰিবলৈ যাত্ৰাত ভাগ ল'বলৈ জনোৱা আহ্বানৰ পৰিপ্ৰেক্ষিততে এতিয়া কেন্দ্ৰীয় শাসিত ৰাজ্যখনৰ প্ৰশাসনে অনশন, যাত্ৰা তথা আন প্ৰতিবাদী কাৰ্যসূচীত বাধা দিবলৈ পদক্ষেপ হাতত লোৱা দেখা গৈছে। এই অনুযায়ী ২৪ ঘণ্টাৰ বাবে ইণ্টাৰনেট স্পীড ৪জিৰ পৰা ২জিলৈ হ্ৰাস কৰাৰো নিৰ্দেশ জাৰি কৰিছে প্ৰশাসনে। যিকোনো মুহূৰ্ত্তত সম্পূৰ্ণৰূপে ইণ্টাৰনেট সংযোগ কৰ্তন কৰিবলৈকো চৰকাৰ-প্ৰশাসন সাজু হৈ পৰা বুলিও জানিব পৰা গৈছে। ৱাংচুকে জনতাক আহ্বান জনাই কয়, 'এফালে, লাদাখৰ জনতাই ভাৰতীয় কৰ্প'ৰেট গোষ্ঠীৰ হাতত নিজৰ মাটি হেৰুৱাবলগীয়া হৈছে। আনফালে প্ৰায় ১.৫ লাখ বৰ্গ কিলোমিটাৰ ছাৰাগাহ ভূমি চীনে ক্ৰমাৎ দখল কৰি আহিছে। চীনে যোৱা ৫ বছৰত ভাৰতীয় ভূমিৰ বৃহৎ অংশত নিজৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰিছে। গতিকে আমি যাত্ৰা কৰিবলৈ সিদ্ধান্ত লৈছো। এই যাত্ৰাত আমি দেশৰ জনতাক দেখুৱাই দিব খুজিছো যে আগতে আমাৰ লাদাখৰ পশুপালকসকলে কিমান দূৰলৈকে গৈছিল আৰু এতিয়া কিমানলৈকে যাবলৈ দিয়া হয়।' ৱাংচুকৰ এই আহ্বানৰ পিছতে লাদাখৰ প্ৰশাসন সক্ৰিয় হৈ পৰে আৰু লেহ জিলাৰ প্ৰশাসনলৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ কঠোৰ নিৰ্দেশ প্ৰদান কৰে। নিৰ্দেশ লাভ কৰিয়েই লেহ জিলা প্ৰশাসনে শান্তি বিনষ্ট হোৱাৰ আশংকা কৰি সমগ্ৰ জিলাখনত ৪ জনতকৈ অধিক লোক মিলিত হ'ব নোৱাৰাকৈ ১৪৪ ধাৰা জাৰি কৰিছে। ইফালে, প্ৰশাসনে যুদ্ধংদেহি পৰিৱেশ সৃষ্টি কৰাৰ পিছতে সোনম ৱাংচুকে আজি এক সংবাদমেলযোগে প্ৰস্তাৱিত 'পশ্বমিনা যাত্ৰা' স্থগিত ৰখাৰ কথা ঘোষণা কৰে। তেওঁ কয় যে আইন-শৃংখলাজনিত পৰিস্থিতিৰ বাবে কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া যাত্ৰা বন্ধ ৰখা হৈছে। অৱশ্যে পূৰ্বৰ দৰেই শান্তিপূৰ্ণ প্ৰতিবাদ আৰু অনশন অব্যাহত থাকিব বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। জিলা প্ৰশাসনৰ তৰফৰ পৰা জাৰি কৰা নিৰ্দেশনা অনুযায়ী লেহত শনিবাৰৰ পৰা কাৰ্যকৰী হোৱাকৈ কোনো ব্যক্তিয়ে আগতীয়া অনুমতি অবিহনে শোভাযাত্ৰা, ধৰ্ণা আদি কৰিব নোৱাৰিব। একেদৰে লাউডস্পীকাৰ ব্যৱহাৰ কৰিবলৈকো প্ৰশাসনৰ পৰা আগতীয়া অনুমতি বাধ্যতামূলক হৈ পৰিব। কোনো ব্যক্তিকে সাম্প্ৰদায়িক সদ্ভাৱ বিনষ্ট হ'ব পৰা বা শান্তি-শৃংখলাজনিত পৰিস্থিতি ভংগ কৰিব পৰা মন্তব্য কোনো মাধ্যমযোগে নকৰিবলৈকো চৰকাৰী নিৰ্দেশনাত সকীয়াই দিয়া হৈছে। নিৰ্বাচনী আচৰণ বিধি জাৰি হৈ থকাৰ পৰিপ্ৰেক্ষিততে এনে নিৰ্দেশনা প্ৰদান কৰা হৈছে বুলিও লেহ প্ৰশাসনে জানিবলৈ দিছে। প্ৰকাশিত বাতৰি অনুযায়ী লাদাখৰ অতিৰিক্ত আৰক্ষী মহানিৰ্দেশৰ শিৱ দৰ্শন সিঙে মোবাইল ডাটাৰ সেৱা ২জিলৈ হ্ৰাস কৰাৰ কথাও উল্লেখ কৰিছে। তেওঁ কয়, 'সমগ্ৰ অঞ্চলটোত শান্তি-শৃংখলা অব্যাহত ৰাখিবলৈকে ৩জি, ৪জি আৰু ৫জি ইণ্টাৰনেট সেৱা অস্থায়ীভাৱে বন্ধ ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। এই আদেশ শনিবাৰে সন্ধিয়া ৬ বজালৈকে দিয়া হৈছে যদিও পৰিস্থিতি সাপেক্ষে ইয়াৰ ম্যাদ আৰু বৃদ্ধি কৰা হ'ব পাৰে।' যাত্ৰা স্থগিত কৰাৰ পিছত প্ৰশাসনৰ স্থিতি লক্ষণীয় হ'ব। অনশন আৰম্ভ কৰাৰ দিনৰে পৰা ইউটিউবযোগে দেশবাসীক লাদাখৰ পৰিস্থিতি সম্পৰ্কে জনাই অহা সোনম ৱাংচুকে শনিবাৰে দুপৰীয়াৰ ভাগতো এক বিশেষ বাৰ্তা প্ৰদান কৰে। এই বিশেষ ইউটিউব ভিডিঅ' বাৰ্তাত পৰিৱেশ সুৰক্ষা কৰ্মীগৰাকীয়ে লেহ অঞ্চলত প্ৰশাসনে এক যুদ্ধসদৃশ পৰিস্থিতিৰ সূচনা কৰিছে বুলি অভিযোগ কৰে। তেওঁ কয়, 'চৰকাৰ অধিক প্ৰতিক্ৰিয়াশীল হৈ পৰিছে। যুৱকসকলকক বলপূৰ্বক থানালৈ ধৰি নি বণ্ডত স্বাক্ষৰ কৰিবলৈ বাধ্য কৰা হৈছে। কালিৰ তেনে পৰিস্থিতিৰ পিছতে ইয়াত এতিয়া ১৪৪ ধাৰা জাৰি কৰা হৈছে। অথচ ইয়াত যোৱা ৩২ দিন ধৰি শান্তিপূৰ্ণভাৱে অনশন চলি আছে।'

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰধানমন্ত্ৰীয়ে দিয়া গেৰাণ্টি

লোকেৰে ভৰি পৰে তিতাবৰৰ বোকাহোলা চাহ বাগিচা খেলপথাৰ। তাৰ পাছতে দুপৰীয়া বিশেষ হেলিকপ্তাৰ যোগে উপস্থিত হয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। হিমন্ত বিশ্ব শৰ্মাৰ আগমনত আনন্দত মতলীয়া হৈ পৰে বিজেপিৰ সমৰ্থকসকল। তিতাবৰৰ বোকাহোলা চাহ বাগিচা খেলপথাৰত অনুষ্ঠিত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিশাল সভা সভাত কেইবা হাজাৰ লোক উপস্থিত থকা দেখা যায়। যোৰহাট সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সাংসদ তপন কুমাৰ গগৈৰ বাবে সহস্ৰাধিক জনতাৰ সন্মুখত ভাষণ প্ৰদান কৰি ভোট ভিক্ষা কৰে মুখ্যমন্ত্ৰীয়ে। সাংবাদিকৰ সৈতে হোৱা মত-বিনিময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে যোৰহাট লোকসভা সমষ্টিত ৩ লাখ ভোটৰ ব্যৱধানত তপন কুমাৰ গগৈ জিকিব বুলি নিশ্চিত বুলি দাবী কৰে। গৌৰৱ গগৈক আক্ৰমণ কৰি কয় তেওঁ দিল্লীত থাকে। তেওঁ নাজানে মানুহে অৰুণোদয় আঁচনি পায় আছে নে নাই। মুখ্যমন্ত্ৰীয়ে কয় যে "অৰুণোদয় আঁচনিক ফাঁকি বুলি কোৱাজনকে মানুহে প্ৰচণ্ড ফাঁকিয়াল বুলি ক'ব। অৰুণোদয় আৰু চৰকাৰী চাকৰি ফাঁকি হ'ব পাৰে নেকি বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মোদীৰ গেৰাণ্টী ফাঁকি হ'ব পাৰে নেকি? ভাল ৰাজনীতি জনা মানুহে এইবোৰ কথা নকয়। সূৰ্য্যটো পূৱৰ পৰা নোলায় পশ্চিমৰ পৰা ওলাই বুলি ক'ব নেকি? উজনি অসমত প্ৰচাৰ চলাবলৈ কোন আহিব বুলি প্ৰশ্ন কৰাত মুখ্যমন্ত্ৰীয়ে কয় যে মই, আমি আছোয়েই। কেন্দ্ৰীয় নেতা এতিয়া কোনো নাহে বুলি স্পষ্ট কৰি ১৭ এপ্ৰিলত নলবাৰীত প্ৰধানমন্ত্ৰী আহিব বুলি কয় মুখ্যমন্ত্ৰীয়ে। আনহাতে, আবেলি একেখন হেলিকপ্তাৰ যোগে মুখ্যমন্ত্ৰী উপস্থিত হয় শিৱসাগৰ জিলাৰ নাজিৰাত। যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় নাজিৰাতো। নাজিৰাৰ মেজেঙ্গা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হয় সভাত মুখ্যমন্ত্ৰীয়ে নাজিৰাবাসীক তপন কুমাৰ গগৈক ভোট দিবলৈ কাতৰ আহ্বান জনায়। আজিৰ নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে দেখা যায় বিত্তমন্ত্ৰী অজন্তা নেওগ, সাংসদ পল্লৱ লোচন দাস আৰু ন-বিজেপি ৰাণা গোস্বামীক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ব্যতিক্ৰমী সাহিত্যিক ড০ প্ৰণৱজ্যোতি

এয়া আছিল গল্পকাৰ, অভিধানিক, ভূ তত্ববিদ, ভাষাবিদ তথা শিক্ষাবিদ ড০ প্ৰণৱজ্যোতি ডেকাৰ ভাষ্য। অসমৰ শিক্ষা ব্যৱস্থা আৰু নিজৰ শিক্ষক হোৱাৰ কৃতিত্বৰ বিষয়ে বুজাবলৈ গৈ এটা সাক্ষাত্কাৰত এবাৰ এইদৰে মন্তব্য কৰিছিল ড০ প্ৰণৱজ্যোতি ডেকাই। নিৰ্ভীক আৰু খাটি ভাষাত খাৰাংখাচ আছিল তেওঁৰ কণ্ঠ। সোঁতৰ বিপৰীতে চিন্তা কৰিব পৰা সক্ষমতাৰে তেওঁ আছিল এগৰাকী অনন্য ব্যক্তি। সাহিত্য অকাডেমী বঁটাৰে সন্মানিত হৈয়ো 'বঁটাটো গ্ৰহণ কৰিবলৈ নাযাও' বুলি স্পষ্টকৈ কোৱা ড০ প্ৰণৱজ্যোতি ডেকা আৰু নাই। অসমীয়া সাহিত্য জগতখনক অলেখ সমৃদ্ধিৰে পূৰ্ণ কৰি অৱশেষত জীৱন নাট সামৰিলে গল্পকাৰ, ভূ তত্ববিদ, অভিধানিক আৰু শিক্ষাবিদ হিচাপে পৰিচিত ড০ প্ৰণৱজ্যোতি ডেকাই। শনিবাৰে দিনৰ ১১ বজাত গুৱাহাটী চিকিত্সা মহাবিদ্যালয় হাস্পতালত চিকিত্সাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে ড০ ডেকাই। ৮৫ বছৰীয়া বিশিষ্ট সাহিত্যিকগৰাকীৰ বিয়োগে যেন আজি মৰ্মাহত কৰি তুলিছে তেওঁৰ অলেখ অনুৰাগীক। শব্দৰ সৈতে খেলি আজীৱন অলেখ লেখাৰে বিভিন্ন বিষয় সম্পৰ্কে পঢ়ুৱৈক চিনাকি কৰাই দিয়া ড০ ডেকাক তেখেতৰ গল্প সংকলন 'প্ৰণৱজ্যোতি ডেকাৰ শ্ৰেষ্ঠ গল্প'ৰ বাবে ২০২৩ বৰ্ষৰ সাহিত্য অকাডেমি বঁটাৰে সন্মানিত কৰা হৈছিল। ১৯৩৯ চনৰ ২১ জুলাইত কলকাতাত জন্মগ্ৰহণ কৰিছিল প্ৰণৱজ্যোতি ডেকাই। তেওঁৰ পিতৃ আছিল প্ৰথমগৰাকী অসমীয়া ন্যায়াধীশ হলিৰাম ডেকা। কলকাতাত জন্মগ্ৰহণ কৰিলেও পিতৃৰ কৰ্মৰ খাতিৰত গুৱাহাটীলৈ ঘূৰি আহি ডনবস্কৰ পৰা প্ৰণৱজ্যোতি ডেকাই আৰম্ভ কৰিছিল প্ৰাথমিক শিক্ষা। ১৯৫৫ চনত ডনবস্ক স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত তেওঁ কটন কলেজ আৰু পৰৱৰ্তী সময়ত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰে। ইয়াৰ পৰৱৰ্তী সময়ত তেওঁ পূৰ্বৰ ছোভিয়েট ৰাছিয়াৰ বিখ্যাত লেলিনগ্ৰাড খনি বিদ্যালয়ৰ পৰা ভূ-তত্ব বিষয়ত ডক্টৰেট ডিগ্ৰী গ্ৰহণ কৰে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত ভূ-তত্ব বিভাগৰ অধ্যাপকৰূপে কৰ্মজীৱন আৰম্ভ কৰি তাৰ পৰাই অৱসৰ গ্ৰহণ কৰে। অতি চিন্তাশীল মনৰ প্ৰণৱ জ্যোতি ডেকা আছিল স্বাভিমানীও। তেওঁৰ আত্মজীৱনী 'সোণৰ চামুচ মুখত লৈ'ত ড০ ডেকাই উল্লেখ কৰা মতে বহু ক্ষেত্ৰত পিতৃৰ সৈতে তেওঁৰ মতাদৰ্শৰ পাৰ্থক্যই দেখা দিছিল। সেয়ে তেওঁ পিতৃ হলিৰাড ডেকাক কেতিয়াও এগৰাকী আদৰ্শ ব্যক্তি হিচাপে মানি ল'ব পৰা নাছিল। ৬ বছৰ বয়সতে তেওঁ বুজি উঠিছিল যে তেওঁৰ পিতৃ তেওঁৰ জীৱনৰ প্ৰকৃত নায়ক নহয়। দুয়োৰে মাজত থকা পিতা-পুত্ৰৰ অগাধ ভালপোৱাৰ মাজতো এখন যেন দেৱাল নিৰ্মাণ হৈছিল। পিতৃৰ সৈতে থকা আদৰ্শগত পাৰ্থক্যৰ বাবেই এসময়ৰ পৰা নিজৰ শিক্ষাৰ খৰছ নিজে উলিয়াবলৈ আৰম্ভ কৰিছিল ড০ ডেকাই। এবাৰ এক সাক্ষাত্কাৰত তেওঁ কৈছিল, '...মই আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিছৌৰী বিশ্ববিদ্যালয়ত গৱেষণাৰ সুযোগ পাইছিলো। কিন্তু সেই সময়ত বিমান ভাড়া আছিল ৭ হাজাৰ টকা। মোৰ লগত টকা নাছিল আৰু দেউতাৰ পৰাও মই ল'ব বিচৰা নাছিলোঁ। সেয়ে সেই সুযোগ বাদ দিবলগীয়া হ'ল।' পৰৱৰ্তী সময়ত এন আৰ এলত কৰ্মজীৱন আৰম্ভ কৰিছিল ড০ ডেকাই। তাত কাম কৰি থকাৰ সময়তে তেওঁ বিভিন্ন বৃত্তিমূলক পৰীক্ষাৰ বাবে প্ৰচেষ্টা চলাই থাকে আৰু অৱশেষত ছোভিয়েট ৰাছিয়াৰ লেলিনগ্ৰাড খনি বিদ্যালয়ত তেওঁ গৱেষণাৰ সুযোগ লাভ কৰে। প্ৰণৱজ্যোতি ডেকাৰ কলমেৰে নিগৰা প্ৰতিটো শব্দই তেওঁৰ অসমীয়া হোৱাৰ অস্তিত্বক তুলি ধৰিছিল। তেওঁৰ লিখনিৰ শব্দৰ গভীৰতা, বিষয় নিৰ্বাচন আৰু গল্পৰ পটভূমিয়ে তুলি ধৰিছিল অসমৰ গাঁও-চহৰসমূহক। ড০ প্ৰণৱজ্যোতি ডেকাৰ উল্লেখ্যযোগ্য গ্ৰন্থসমূহৰ ভিতৰত আছে গল্প সংকলন কৈলাসনাথ, একুৰি বছৰৰ গল্প, এজাক এলেহুৱা কাউৰীৰ সাধু, বেৱাৰিছ লাছ আৰু অন্য গল্প, বিহুৱতী চৰাই আৰু অন্য গল্প, ড০ প্ৰণৱজ্যোতি ডেকাৰ শ্ৰেষ্ঠ গল্প, অনিৰ্গম পথ। আনহাতে প্ৰৱন্ধ সংকলনৰ ভিতৰত আছে পৰমেশ্বৰ আছে নাই, চৰ্যাগীত আৰু বৌদ্ধ তন্ত্ৰ, ধৰ্মৰ প্ৰাণতত্ব, নীলাচল কামাখ্যাঃ হাৰ হিষ্টৰী এণ্ড তন্ত্ৰ, চায়েণ্টিফিক এভিডেন্স ফৰ বৈদিক এষ্ট্ৰলজি, ৰত্নজ্যোতিষ আৰু বিজ্ঞান, চেঞ্চুৰি অল্ড কাষ্টছ, ট্ৰাইবছ এণ্ড গিল্ড, জ্যোতি দ্বিভাষিকৰ বুৰঞ্জী, ৰূপোপজীৱিনী বনাম দেহোপজীৱিনী (প্ৰাপ্তবয়স্কৰ যৌনজ্ঞান গ্ৰন্থ)। ড০ ডেকাই ৰচনা কৰি গৈছে জ্যোতি দ্বিভাষিক অভিধান নামেৰে এখন অভিধানো। ড০ প্ৰণৱজ্যোতি ডেকাৰ ৰহস্য উপন্যাস তেওঁৰ একমাত্ৰ উপন্যাস। আনহাতে জীৱনৰ নিৰ্মোহ সমালোচনাৰে লিখি থৈ যোৱা 'সোণৰ চামুচ মুখত লৈ' ড০ ডেকাৰ আত্মজীৱনীৰ নাম। আজীৱন নীৰৱ সাধনাৰে সাহিত্য চৰ্চা যোৱা ড০ প্ৰণৱজ্যোতি ডেকাই কাহানিও বঁটা-বাহনৰ পিছত দৌৰা নাছিল। সেয়ে ২০২৩ বৰ্ষত তেওঁৰ নাম সাহিত্য অকাডেমি বঁটাৰ বাবে ঘোষণা কৰাৰ পিছতো তেওঁ কৈছিল- 'এটা বয়সৰ পিছত বঁটা-বাহনৰ গুৰুত্ব নাথাকে।' তথাপিও এইগৰাকী বিশিষ্ট সাহিত্যিকক ২০২২ চনত অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আৰু ২০২৩ চনত সাহিত্য অকাডেমি বঁটাৰে সন্মানিত কৰা হয়। নিজকে অসমীয়া বুলি পৰিচয় দিবলৈ প্ৰায়ে অসুবিধাৰ সন্মুখীন হোৱা এজন ব্যক্তি আছিল ড০ প্ৰণৱজ্যোতি ডেকা। ২০১৬ চনত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ আলোচনী 'জেবিয়ান'ৰ বাবে দিয়া এক সাক্ষাত্কাৰত এই কথা অকপটে স্বীকাৰ কৰিছিল ড০ ডেকাই। সাক্ষাৎ গ্ৰহণকাৰীৰ এক প্ৰশ্নৰ উত্তৰত কৈছিল, 'অসমীয়া বুলি ক'লে কাক কোৱা হয়? যদি অসমীয়া ভাষা কোৱা লোকক অসমীয়া বুলি কোৱা হয়, তেন্তে মোৰ সমস্যাটো হ'ল বংগদেশত জন্মগ্ৰহণ কৰাৰ বাবে সৰুতে বঙালীতে কথা-বতৰা পাতিছিলো। যদি অসমীয়া ভাষা কোৱা গোষ্ঠীৰ বংশৰ লোকক অসমীয়া বুলি কোৱা হয়, তেওঁ মই কওঁ মোৰ পূৰ্বপুৰুষৰ প্ৰতি মোৰ আন্তৰিক সন্মান একো নাই। অসমীয়াসকল কিবা এটা আচৰিত অদ্ভুত জাতি, যাৰ সভ্য হিচাপে নিজকে গৌৰৱ অনুভৱ কৰোঁ, তেনে কোনো কথাও নাই। গতিকে মোক অসমীয়া হয় বা নহয় বুলি কোৱাক লৈ কেতিয়াও বিশেষ মূৰ ঘমোৱা নাই। মানুহ হিচাপে সকলো মানুহৰ প্ৰতি থাকিবলগীয়া অনুভূতিৰ বাবে অসমীয়া বুলি মোৰ কোনো বিশেষ আৱেগিক টান নাই।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্বাচন! নিমাওমাও মণিপুৰ

মণিপুৰ। ৰাজ্যখনত অহা ১৯ আৰু ২৬ এপ্ৰিলত দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব দুখন লোকসভা আসনৰ বাবে নিৰ্বাচন। কিন্তু ইয়াৰ পিছতো ৰাজ্যখনত কোনো ধৰণৰ প্ৰচাৰ অভিযান চলোৱা পৰিলক্ষিত হোৱা নাই ৰাজনৈতিক দলসমূহে। দেশৰ আন আন প্ৰান্তৰ দৰে নিৰ্বাচনী হৰ্ডিং বা পোষ্টাৰো আঁৰা হোৱা নাই মণিপুৰত। নিৰ্বাচনৰ নামত ৰাজ্যখনত স্থানীয় নিৰ্বাচনী বিষয়াসকলে স্থাপন কৰা কেইখনমান হৰ্ডিংহে দেখা যায়, যাৰ জৰিয়তে মানুহক নিজৰ ফ্ৰেঞ্চাইজি ব্যৱহাৰ কৰিবলৈ অনুৰোধ কৰা হৈছে। কিন্তু বিজেপিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ দৰে বিশিষ্ট ব্যক্তিক তাৰকা প্ৰচাৰক হিচাপে তালিকাভুক্ত কৰাৰ বিপৰীতে কংগ্ৰেছৰ প্ৰচাৰক তালিকাত থকা ছোনিয়া গান্ধী, ৰাহুল গান্ধীকে ধৰি বিশিষ্ট নেতাসকলেও এতিয়ালৈকে মণিপুৰত নিৰ্বাচনী প্ৰচাৰ চলোৱা নাই। এই সন্দৰ্ভত মণিপুৰ নিৰ্বাচন আয়োগে কয় যে ৰাজ্যৰ সুক্ষ্ম পৰিস্থিতি অধিক বেয়া হোৱাৰ পৰা হাত সাৰিবলৈ ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে কম প্ৰচাৰ চলাইছে যদিও প্ৰচাৰ কাৰ্যকলাপত আনুষ্ঠানিক নিষেধাজ্ঞা নাই। মণিপুৰৰ মুখ্য নিৰ্বাচনী বিষয়া প্ৰদীপ ঝাই পিটিআইৰ আগত কয়, 'নিৰ্বাচন আয়োগে নিৰ্বাচনী প্ৰচাৰত কোনো ধৰণৰ বাধা আৰোপ কৰা নাই। নিৰ্বাচনী আচৰণ বিধিৰ অধীনত অহা যিকোনো বস্তু অনুমোদিত।' ৰাজ্যখনত এতিয়া নিৰ্বাচনী প্ৰচাৰৰ দায়িত্ব চম্ভালিছে দলৰ স্থানীয় নেতাসকলে। দলীয় প্ৰাৰ্থী আৰু স্থানীয় নেতাসকলে ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। উল্লেখ্যে যে, বিগত বৰ্ষৰ ৩ মে'ৰ পৰাই মণিপুৰত অব্যাহত আছে হিংসাত্মক পৰিস্থিতিৰ। ৰাজ্যখনৰ নিৱাসী দুটা প্ৰধান জনগোষ্ঠীৰ মাজত সূত্ৰপাত ঘটা হিংসাই ইতিমধ্যে প্ৰাণ কাঢ়ি নিছে ২১৯ জনৰ। ৰাজ্যখনৰ এনে ভয়াবহ পৰিস্থিতিৰ পিছতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এবাৰো মণিপুৰ ভ্ৰমণ নকৰাক লৈও শেহতীয়াকৈ কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ লগতে আন বিৰোধী নেতাসকলে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি আহিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫ লাখকৈ! দিল্লীত চলিছে

সময়তে চিবিআইয়ে লাভ কৰিছে নৱজাতকৰ বিক্ৰীৰ এই চাঞ্চল্যকৰ তথ্য। চিবিআইৰ এক সূত্ৰ অনুসৰি, শিশু সৰবৰাহ চক্ৰটোৱে বিগত এটা মাহত ১০টা নৱজাতক বিক্ৰী কৰিছে। শিশু সৰবৰাহৰ চক্ৰটো কৰায়ত্ত কৰিবলৈ শুকুৰবাৰে সন্ধিয়াৰ পৰা দিল্লীৰ কেশৱপুৰম আৰু দিল্লী-এনচিআৰত অভিযান আৰম্ভ কৰে চিবিআইয়ে। প্ৰাথমিক তদন্তৰ অন্তত চিবিআইয়ে জানিব পাৰে যে কেৱল দিল্লীতে নহয়, এই গেঙৰ নেটৱৰ্ক আন ৰাজ্যতো বিয়পি পৰিছে। সেই সূত্ৰৰ ভিত্তিত চিবিআইয়ে দিল্লীৰ আশে-পাশে থকা অঞ্চলত আনকি কেইবাখনো ৰাজ্যতো তালাচী অভিযান আৰম্ভ কৰিছে। কেইবাদিনো ধৰি তদন্তকাৰী সংস্থাটোৱে শিশু সৰবৰাহৰ সন্দৰ্ভত তথ্য লাভ কৰি আহিছিল। সেই ভিত্তিতে এফআইআৰও দাখিল কৰা হৈছে। ইয়াৰ পিছত চিবিআইয়ে তালাচী অভিযান আৰম্ভ কৰে। শুকুৰবাৰে সন্ধিয়া চিবিআইয়ে দিল্লীৰ দ্বাৰকা, উত্তৰ পশ্চিম দিল্লী, ৰোহিনী আৰু এনচিআৰৰ বিভিন্ন স্থানত অভিযান চলায়। চিবিআইৰ সূত্ৰ অনুসৰি সামগ্ৰীৰ দৰে ক'লা বজাৰত বিক্ৰী কৰা হৈ আহিছে সদ্যজাত দেৱশিশুকো। ইতিমধ্যে এই চক্ৰটোৰ সৈতে জড়িত গ্ৰেপ্তাৰ কৰা লোকসকলক জেৰা কৰি শিশুকেইটাৰ ক্ৰেতা কোন সেইটো জানিবলৈ চেষ্টা চলোৱা হৈছে। চিবিআইৰ সূত্ৰ অনুসৰি এই গেংটোৰ অৱস্থান দিল্লীৰ লগতে ইয়াৰ বাহিৰতো উদ্ধাৰ হৈছে। কেইবাখনো বৃহৎ চিকিৎসালয়ো কেন্দ্ৰীয় তদন্তকাৰী সংস্থাৰ তদাৰকত আছে। চিবিআইৰ সূত্ৰ অনুসৰি মুঠ ৮টা শিশুক উদ্ধাৰ কৰা হৈছে। তাৰ ভিতৰত দুটা নৱজাতক আছে। কেশৱপুৰম অঞ্চলৰ পৰা উদ্ধাৰ কৰা হৈছে এই নৱজাতক দুটা। উল্লেখ্য যে দীৰ্ঘদিন ধৰি এই লৈ দিল্লীত চাঞ্চল্য সৃষ্টি হৈ আহিছিল।

# ব্যাপক অনিয়মৰে পছৰীয়াত ঐতিহ্যমণ্ডিত বিদ্যালয়ৰ পৰিচলনা সমিতি গঠনৰ অভিযোগ

## শিক্ষা বিভাগৰ নীতি-নিয়মক দেখদেখকৈ ভেঙুচালি

**ই-সংবাদ, শুৱালকুছি, ৬ এপ্ৰিলঃ** কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত পছৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচলনা সমিতি গঠনক লৈ খামখেয়ালি কৰাৰ অভিযোগ উত্থাপন হৈছে। শিক্ষা বিভাগৰ নীতিনিয়মক ভেঙুচালি কৰি পৰিচলনা সমিতি গঠনৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে দলে-সংগঠনে। পছৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচলনা সমিতিখন প্ৰায় তিনি মাহ পূৰ্বে সত্তৰৰ উৰ্দ্ধৰ দুগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকৰ নাম বাচনি কৰি কামৰূপ জিলা শিক্ষা বিষয়ালৈ অনুমতিৰ বাবে প্ৰেৰণ কৰা হৈছিল। কামৰূপ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকে অনুমোদন জনোৱাত পছৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব লাভ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তনুৰাম কলিতাই আৰু উপ-সভাপতিৰ দায়িত্ব লাভ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক অৰবিন্দ ডেকাই। কিন্তু শিক্ষা বিভাগৰ নিৰ্দশনা মতে, বিদ্যালয় পৰিচলনা সমিতিৰ সভাপতি তথা উপ-সভাপতিগৰাকী ৬৫ৰ উৰ্দ্ধৰ হ'ব নালাগে। কিন্তু ঐতিহ্যমণ্ডিত পছৰীয়া কুশল কোঁৱৰ উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষা বিভাগৰ নীতি নিয়মক ভেঙুচালি কৰি ৭০ৰ উৰ্দ্ধৰ অৱসৰপ্ৰাপ্ত শিক্ষকক লৈ পৰিচালনা সমিতি গঠন কৰা হয়। পছৰীয়াৰ সচেতন ৰাইজ তথা দল-সংগঠনৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ঐতিহ্যমণ্ডিত বিদ্যালয়খনত কি কাৰণত শিক্ষা বিভাগৰ নিৰ্দেশনাক অৱজ্ঞা কৰি পৰিচলনা সমিতি গঠন কৰা হৈছে তাকে লৈ প্ৰশ্ন উত্থাপন হৈছে। শিক্ষা বিভাগৰ নীতি নিয়মক জলাঞ্জলি দি পৰিচলনা সমিতি গঠন সন্দৰ্ভত তদন্ত কৰি ব্যৱস্থা লবলৈ কামৰূপ জিলা প্ৰশাসন আৰু শিক্ষা বিভাগক আহ্বান জনাইছে ৰাইজে। কামৰূপৰ বংশৰ, শুৱালকুছিকে আদি কৰি কেইবাখনো উচ্চ, উচ্চতৰ মাধ্যমিক বিদ্যালয়তো শিক্ষা বিভাগৰ নীতি নিয়ম ধোঁৱাচাঙত তুলি ৰাজনৈতিক দলৰ সৈতে জড়িত লোকক পৰিচলনা সমিতিত ৰখাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এনে কাৰ্যক শিক্ষা বিৰোধী আখ্যা দিছে সচেতন ৰাইজে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিজেপিৰ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপি নেতা-কৰ্মীসকলক শুভেচ্ছা জ্ঞাপন কৰে। প্ৰতি বছৰে প্ৰতিষ্ঠা দিৱস পালন কৰি বিভিন্ন অনুষ্ঠান, শোভাযাত্ৰা আদি উলিয়াই বিজেপিয়ে৷ এইবাৰো দলটোৱে আজিৰ বিশেষ দিনটোতো অসমত প্ৰতিখন জিলা সমিতি, ব্লক সমিতি, মণ্ডল সমিতিয়ে প্ৰতিষ্ঠা দিৱস পালন কৰে৷ লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ ব্যস্ততাৰ মাজতো বিজেপিয়ে বিভিন্ন প্ৰান্তত অনুষ্টুপীয়াকৈ প্ৰতিষ্ঠা দিৱস পালন কৰে৷ ভাৰতীয় জনতা পাৰ্টীয়ে উৎসাহ আৰু উদ্দীপনাৰে ৪৪ তম প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। বশিষ্ঠস্থিত ৰাজ্যিক মুখ্য কাৰ্যালয়ত ৪৪তম প্ৰতিষ্ঠা দিৱস উপলক্ষে দলীয় পতাকা উত্তোলন কৰা হয়৷ ৰাজ্যিক কাৰ্যালয় প্ৰাংগণত অসম প্ৰদেশৰ প্ৰাক্তন ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক হৰেকৃষ্ণ ভৰালীয়ে দলীয় পতাকা উত্তোলন কৰে। তাৰ পাছতে শ্ৰদ্ধাঞ্জলি, বন্তি প্ৰজ্বলন আৰু ভাৰত মাতাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে নেতাসকলে৷ বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ে প্ৰতিষ্ঠা দিৱস উপলক্ষে জাৰি কৰা বিবৃতিত কয় যে ভাৰতীয় জনতা পাৰ্টিৰ সকলো শ্ৰদ্ধেয় মাৰ্গদৰ্শকলৈ প্ৰতিষ্ঠা দিৱসত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে বৰ্তমানৰ সকলো নেতা-কাৰ্যকৰ্তালৈ অলেখ শুভকামনা জনাইছো। এই প্ৰতিষ্ঠা দিৱসত নৰেন্দ্ৰ মোদীক তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী বনাই দেশৰ প্ৰগতিৰ যাত্ৰা বৰ্তাই ৰাখিবলৈ আমি সকলোৱে সংকল্প লওঁ আহক বুলি কয়৷ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বৰক্ষেত্ৰীৰ ৰামপুৰত বিজেপিৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। প্ৰতিজন কাৰ্যকৰ্তাই নিজ নিজ গৃহত পতাকা উত্তোলন কৰি মিঠাই খুৱাই উৎসৱমুখৰ পৰিবেশত ৮০ নং ৰামপুৰ বুথ সমিতিৰ উদ্যোগত প্ৰতিষ্ঠা দিৱস পালন কৰে৷ পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ সভাপতি ৰাজু ডেকাই শ্ৰদ্ধাঞ্জলি আৰু বন্তি প্ৰজ্বলন কৰে৷ তাৰ পাছতে ভাৰত মাতাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ প্ৰায় দুই শতাধিক কাৰ্যকৰ্তাই৷ ৮০ নং ৰামপুৰ বুথ সমিতি আৰু পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলে এক পদযাত্ৰা উলিয়াই। কাৰ্যসূচীত বিজেপি নেতা যুগল গোস্বামী, মিন্তু দত্ত, বুদ্ধদেৱ দাস, নিশা মেধি উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজমোহন অযোগ্য, টুইট

**ই-সংবাদ, ৬ এপ্ৰিলঃ** বন কৰা কিশোৰী হত্যাকাণ্ড গাপ দিবলৈ উৎকোচ লোৱা অসম আৰক্ষীৰ বিষয়া তথা দৰং জিলাৰ তদানীন্তন আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়ক চাকৰিৰ পৰা অপসাৰণ কৰিছে অসম চৰকাৰে৷ আজি আৰক্ষী সঞ্চালক প্ৰধান জি.পি সিঙে এটা টুইট কৰি এই কথা ৰাজহুৱা কৰিছে৷ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাজপত্ৰিত আৰক্ষী বিষয়া ৰাজমোহন ৰায়ক চাকৰিৰ পৰা অযোগ্য ঘোষণা কৰা হৈছে৷ অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে কয় যে শূন্য সহনশীল নীতিৰ আধাৰত অসৎ আচৰণৰ বাবে দৰঙৰ আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়ক চাকৰিত অযোগ্য ঘোষণা কৰা হৈছে৷ ভৱিষ্যতৰ নিযুক্তিত অযোগ্য ঘোষণা কৰা হৈছে৷ দৰঙৰ নিলম্বিত আৰক্ষী অধীক্ষক ৰাজমোহন ৰায় এগৰাকী বন কৰা কিশোৰীৰ হত্যাকাণ্ডক গাপ দিবৰ বাবে অভিযুক্তৰ পৰা উৎকোচ লৈছিল৷ গ্ৰেপ্তাৰৰ পাছতে বেংক একাউণ্ট পৰীক্ষা কৰাত সেই টকা একাউণ্টত জমা কৰাৰ তথ্য লাভ কৰিছিল তদন্তকাৰী দলে৷ এই ঘটনাত তৎপৰ হৈছিল খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা৷ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি দুৰ্ভগীয়া পৰিয়ালটোৱে ন্যায় প্ৰদানৰ আহ্বান জনাইছিল৷ ২০২২ চনৰ জুন মাহত সংঘটিত হৈছিল এই ঘটনা৷ দৰং জিলাৰ ধূলা আৰক্ষী থানাৰ সমীপৱৰ্তী কৃষ্ণকমল বৰুৱা নামৰ লোকজনৰ ঘৰত বনকৰা কিশোৰী হিচাপে আছিল ঢেকীয়াজুলিৰ প্ৰজা পথৰ ১৩ বছৰীয়া এগৰাকী কিশোৰী৷ কিন্তু ২০২২ চনৰ জুন মাহত ৰহস্যজনকভাৱে কিশোৰীৰ মৃতদেহ উদ্ধাৰ হৈছিল৷ চিপ লৈ ওলমি থকা অৱস্থাত মৃতদেহ উদ্ধাৰ হোৱাত কিশোৰীৰ পৰিয়ালে হত্যাৰ অভিযোগ উত্থাপন কৰি ধূলা আৰক্ষীৰ কাষ চাপিছিল৷ কিন্তু ধূলা আৰক্ষীয়ে প্ৰথমে এজাহাৰ গ্ৰহণ কৰিবলৈ অমান্তি হৈছিল৷ কিশোৰীৰ পৰিয়ালক ধমক দি মৃতদেহসহ ঘৰলৈ পঠিয়াই দিছিল৷ আৰক্ষী অধীক্ষক ৰাজমোহন ৰায় আৰু সেই সময়ৰ ধূলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উৎপল বৰাই সমস্ত নাটক ৰচনা কৰিছিল৷ তদন্তক বিপথে পৰিচালিত কৰিছিল দৰঙৰ তেতিয়াৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপম ফুকনে৷ ঘটনা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ হোৱাত মুখ্যমন্ত্ৰীয়ে তদন্তৰ কঠোৰ নিৰ্দেশ দিয়ে৷ প্ৰথমাৱস্থাত মুখ্যমন্ত্ৰীৰ নিৰ্দেশক আওকাণ কৰা হয়৷ পাছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কিশোৰীগৰাকীৰ পৰিয়ালবৰ্গক সাক্ষাৎ কৰিবলৈ ঢেকীয়াজুলিত উপস্থিত হয় আৰু পৰিয়ালৰ পৰা সমস্ত কথা শুনে৷ ঢেকীয়াজুলিৰ পৰাই মুখ্যমন্ত্ৰীয়ে আৰক্ষীক কঠোৰ নিৰ্দেশ দিয়ে৷ আৰক্ষীয়ে তদন্তত গুৰুতৰ অৱহেলা কৰাৰ প্ৰমাণ পোৱাত দৰঙৰ আৰক্ষী অধীক্ষক ৰাজমোহন ৰায় আৰু ধূলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উৎপল বৰাক চাকৰিৰ পৰা নিলম্বন কৰা হয়৷ ততাতৈয়াকৈ বিশেষ তদন্তকাৰী গোট গঠন কৰা হয়৷ বিশেষ তদন্তকাৰী গোটৰ তদন্তত কিশোৰীক প্ৰথমে ধৰ্ষণ আৰু পাছত হত্যা কৰা আত্মহত্যা কৰাৰ ৰং দিয়াৰ তথ্য পোহৰলৈ আহে৷ লগতে মৰণোত্তৰ পৰীক্ষা কৰা তিনি চিকিৎসককো গ্ৰেপ্তাৰ কৰা হয় তদন্তত ওলাই পৰিছিল যে বিএছএফৰ জোৱান কৃষ্ণকমল বৰুৱাই কিশোৰীক ধৰ্ষণ কৰি আৰু হত্যা কৰে৷ ঘটনাক গাপ দি আৰক্ষী, চিকিৎসক আৰু দণ্ডাধীশক টকাৰে মেনেজ হৈছিল৷ মৰণোত্তৰ পৰীক্ষাৰ নামত ভুৱা প্ৰতিবেদন দিছিল৷ আৰক্ষী অধীক্ষক ৰাজমোহন ৰায় আৰু সেই সময়ৰ ধূলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উৎপল বৰা, তেতিয়াৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপম ফুকনক গ্ৰেপ্তাৰ কৰা হয়৷ একাউণ্ট পৰীক্ষা কৰাত ধন লোৱাৰ কথা ওলাই পৰে৷ হত্যাকাণ্ডক গাপ দিবৰ বাবে ৫ লাখ টকা লৈছিল ধূলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উৎপল বৰাই৷ আৰক্ষী অধীক্ষক ৰূপম ফুকনে অভিযুক্তৰ পৰা লৈছিল ডেৰ লাখ টকা৷ এছপি ৰাজমোহন ৰায়ে অভিযুক্তৰ পৰা লৈছিল কেইবা লাখ টকা৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# চিপিআইএমে শ্ৰমিকক ঠগাই

**ই-সংবাদ, সোণাৰি, ৬ এপ্ৰিলঃ** চিপিআইএম দেশৰ কোনো ধৰণৰ উন্নয়ন কৰিব নোৱাৰে। কেৱল হাল্লা কৰোঁতেই যাব। সৰ্বহাৰা শ্ৰমিকৰ কথা কৈ শ্ৰমিকক ঠগিলে তেওঁলোকে। নিজকে সৰ্বহাৰা বুলি কয় অথচ তেওঁলোকৰ নেতা থাকে ডাঙৰ ডাঙৰ অট্টালিকাত। কিন্তু আজি দেশৰ জনতাক ন্যায় দিছে কেৱল নৰেন্দ্ৰ মোদীৰ বিজেপি চৰকাৰে। বিজেপি সদায় জনতাৰ উন্নয়নৰ পক্ষত। চিপিআইএম দলে নিৰ্বাচন আয়োগক বিজেপি দলৰ বিৰুদ্ধে দাখিল কৰা নিৰ্বাচনা আচৰণ বিধি উলংঘাৰ অভিযোগৰ প্ৰত্যুত্তৰ দি এই মন্তব্য আগবঢ়ায় ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই। আনহাতে নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ অভিযোগত নিৰ্বাচন আয়োগে প্ৰেৰণ কৰা কাৰণ দৰ্শোৱা জাননীৰ উত্তৰ দিব বুলি সোণাৰিত মন্তব্য আগবঢ়ায় অসম প্ৰদেশ বিজেপিৰ সভাপতি ভৱেশ কলিতাই। ৰাইজে বিভিন্ন আঁচনিৰ সুবিধা লাভ কৰিছে নে নাই সেই সন্দৰ্ভত বিভিন্ন তথ্য সংগ্ৰহৰ বাবেহে দলে এনেধৰণৰ প্ৰ-পত্ৰ ভৰ্তি অভিযান অব্যাহত ৰাখিছে। এই কাৰ্যসূচী আগৰে পৰাই চলি থকা দলৰ এক গতানুগতিক কাৰ্যসূচী বুলি মন্তব্য কৰি সভাপতি কলিতাই কয় যে এই কাৰ্যসূচীৰ জৰিয়তে ৰাইজ উপকৃত হ'ব। কংগ্ৰেছৰ দিনত চৰকাৰী আঁচনি কোনে লাভ কৰিব সেই কথা নেতা-পালিনেতাই ঘৰত বহি আত্মীয়-স্বজনৰ নামেৰে তালিকা প্ৰস্তুত কৰিছিল। কিন্তু এতিয়া বিজেপিয়ে সকলোকে সমদৃষ্টিৰে চায়, সকলোৱে যাতে চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰে, তাৰ বাবে এই ধৰণৰ প্ৰ-পত্ৰ পূৰণৰ জৰিয়তে তালিকা প্ৰস্তুত কৰে। চৰাইদেউ জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত বিজেপিৰ ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে কয় যে এই অভিযানে নিৰ্বাচনী বিধি ভংগ কৰা নাই। গতিকে এই ক্ষেত্ৰত বিশেষ চিন্তা কৰিবলগীয়া নাই। নিৰ্বাচন আয়োগে প্ৰেৰণ কৰা কাৰণ দৰ্শোৱা জাননীৰ উত্তৰ দিয়া হ'ব। বিজেপি দলে নিৰ্বাচনী বিধি ভংগ কৰি ৰাজ্যত উপযুক্ত অৰুণোদয় হিতাধিকাৰী বৃদ্ধি কৰাৰ উদ্দেশ্যে সামাজিক-অৰ্থনৈতিক সমীক্ষা চলাই আছে বুলি চিপিআইএম দলে যোৱা চাৰি এপ্ৰিলত অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত লিখিত ভাৱে অভিযোগ দাখিল কৰিছিল। অভিযোগ মতে, তেওঁলোকে অৰুণোদয় হিতাধিকাৰী অন্তৰ্ভুক্তিকৰণৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ নেতাৰ ফটো আৰু প্ৰতীক সম্বলিত সমীক্ষা পত্ৰ বিতৰণ কৰিছে, যিয়ে নিৰ্বাচনী বিধি-নিৰ্দেশনাৱলী উলংঘা কৰিছে। এই অভিযোগৰ ভিত্তিত অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সভাপতিলৈ কাৰণ দৰ্শোৱাৰ বাবে জাননী জাৰি কৰিছে। যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ বৃহস্পতিবাৰৰ পৰা চৰাইদেউ জিলাত নিৰ্বাচনী প্ৰচাৰত নমা ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীৰ উপস্থিতিত আজি জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত দলৰ প্ৰতিষ্ঠা দিৱসত চৰাইদেউ জিলা বিজেপিৰ সভাপতি লক্ষ্মীনাথ তাছা, সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, এপিজিচিএলৰ সঞ্চালক অনুপ সিং ৰাজপুৰোহিতৰ লগতে বহু কেইগৰাকী জ্যেষ্ঠ বিজেপি নেতা বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা লগতে দলীয় কৰ্মীয়ে অংশগ্ৰহণ কৰে। চৰাইদেউ জিলাৰ বিভিন্ন প্ৰান্তত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ উপৰিও আজি জিলা বিজেপিৰ কাৰ্যালয়ৰ পৰা টাওকাক চাহ বাগিচালৈকে বাইক ৰেলীত অংশগ্ৰহণ কৰা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই লোকসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকল বিপুল ভোটত জয়ী হ'ব বুলি আশা প্ৰকাশ কৰে। ভূপেন বৰা, অখিল-লুৰীণে যিমানেই কৈ নাথাকক কিয় এতিয়া আৰু ৰাজ্যত কংগ্ৰেছ তথা বিৰোধীৰ কোনো কাম নাই বুলিও কয় বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে।

# মৰিগাঁৱত ১৩৬ জন যুৱকক বিশেষ প্ৰশিক্ষণ

**ই-সংবাদ, লাহৰীঘাট, ৬ এপ্ৰিলঃ** অসম কৃষি বিশ্ববিদ্যালয় আৰু ৰাজ্যিক কৃষি বিভাগৰ উদ্যোগত মৰিগাঁৱত ১৫ দিনীয়াকৈ অনুষ্ঠিত কীট নাশক দ্ৰব্যৰ চাৰ্টিফিকেট পাঠ্যক্ৰম কাৰ্যসূচীৰ শুকুৰবাৰে সামৰণি পৰে। মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰত অনুষ্ঠিত 'কীটনাশক দ্ৰব্যৰ ব্যৱস্থাপনা' শীৰ্ষক বিষয়ত ১৩৬ জন যুৱকক পাঠ্যক্ৰম প্ৰদান কৰা হয়। কৃষি প্ৰধান জিলা মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তত কেইবা শতাধিক সাৰ আৰু কীটনাশক দ্ৰব্যৰ অনুজ্ঞা প্ৰাপ্ত থকা ব্যৱসায়ীয়ে দোকান চলাই আছে যদিও এনে ব্যৱসায়ীৰ সৰহ সংখ্যকৰে নাই সাৰ বা কীটনাশক দ্ৰব্য প্ৰয়োগ তথা ব্যৱস্থাপনাৰ সঠিক জ্ঞান। নিৰক্ষৰ কৃষকসকলে বহু সময়ত সাৰ বা কীটনাশক দ্ৰব্য প্ৰয়োগত ব্যৱসায়ীসকলৰ পৰামৰ্শ লয় যদিও ব্যৱসায়ীসকলৰ কীটনাশক দ্ৰব্য প্ৰয়োগৰ সঠিক ধাৰণা নথকাত ব্যৱসায়ীৰ ওপৰত নিৰ্ভৰ কৰা কৃষকসকলে বহু সময়ত লোকচানৰ সন্মুখীন হয়। অসম কৃষি বিশ্ববিদ্যালয় আৰু ৰাজ্যিক কৃষি বিভাগৰ যুটীয়া উদ্যোগত ১৫ দিনীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম অনুষ্ঠিত কৰা হয়। কীটনাশক দ্ৰব্যৰ ব্যৱস্থাপনা বিষয়ত আয়োজন কৰা চাৰ্টিফিকেট পাঠ্যক্ৰমত লাহৰীঘাট, মৈৰাবাৰী, ভূৰাগাঁও, মায়ং, ঝাৰগাঁও আদিৰ ১৩৬ জন বিক্ৰীৰ অনুজ্ঞাপত্ৰ থকা ব্যৱসায়ী যুৱকে অংশগ্ৰহণ কৰে। পাঠ্যক্ৰমত আশানুৰূপ সঁহাৰি দি প্ৰতি দিনেই পাঠ গ্ৰহণ কৰে প্ৰশিক্ষাৰ্থীসকলে। পাঠ্যক্ৰমত প্ৰশিক্ষক হিচাপে উপস্থিত থাকি প্ৰশিক্ষণ প্ৰদান কৰে উদ্ভিদ প্ৰজনন আৰু বংশবৃদ্ধি বিশেষজ্ঞ সপ্তদীপা ভট্টাচাৰ্য্য, কৃষি বিজ্ঞান কেন্দ্ৰৰ শস্য সুৰক্ষা বিশেষজ্ঞ নৱদীপ শইকীয়া, এপাৰ্টৰ প্ৰকল্প বিষয়া দীপ শিখা কৌশিক, নগাঁও চিলঙনীৰ মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী জ্যোতিৰেখা হাজৰিকা, দিপাংকৰ বৰাই। ১৫ দিনীয়া পাঠ্যক্ৰম সফল সামৰণিৰ পাছতে জিলা কৃষি বিষয়া অশোক শৰ্মা আৰু কৃষি পৰিদৰ্শক অৰুণ চন্দ্ৰ ৰাভাকে ধৰি কেইবাজনো বিষয়াৰ উপস্থিতিত প্ৰশিক্ষাৰ্থীক মানপত্ৰ প্ৰদান কৰা হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# টকা লৈ গোচৰ প্ৰত্যাহাৰ কৰা নাই

**ই-সংবাদ, ৬ এপ্ৰিলঃ** মই টকা লৈ গোচৰ প্ৰত্যাহাৰ কৰা নাই৷ মই তালৈ গৈ থাকিব নোৱাৰোঁ৷ মোৰ মানুহৰ অভাৱ আৰু টকাৰ অভাৱ৷ গোচৰৰ প্ৰত্যাহাৰৰ দুদিন পাছত এনেদৰে মনৰ কথা ক'লে জোনমণি ৰাভাৰ মাতৃয়ে সুমিত্ৰা ৰাভাই৷ দুই সন্তানক হেৰুওৱা দুৰ্ভগীয়া মাতৃগৰাকীয়ে আজি সংবাদমাধ্যমৰ সন্মুখত গোচৰ কিয় উঠাই ল'লে, সেই কথা খুলি কয়৷ জোনমণি ৰাভাৰ মাতৃ সুমিত্ৰা ৰাভা স্বাস্থ্যজনিত আৰু আৰ্থিক কাৰণত গোচৰ প্ৰত্যাহাৰ কৰাৰ কথা দোহাৰে৷ মূলত সুমিত্ৰা ৰাভাই জখলাবন্ধালৈ গৈ এই গোচৰ চলাবলৈ মানুহ আৰু অৰ্থৰ অভাৱ বুলি স্পষ্ট কৰে৷ দুখুনী আই সুমিত্ৰা ৰাভাই কয় "জখলাবন্ধা বা কলিয়াবৰ ইমান দূৰলৈ গৈ মই কেছ খেলিব নোৱাৰোঁ৷ মোৰ স্বাস্থ্য ভাল নহয়, মোৰ মানুহৰ অভাৱ, টকাৰ অভাৱ৷ সেইবাবেই গোচৰ উঠাই ল'ব লগা হ'ল৷" একাংশ লোক টকা লৈ গোচৰ প্ৰত্যাহাৰ কৰাৰ অভিযোগ অনা বিষয়টোক লৈ অত্যন্ত খেদ প্ৰকাশ কৰিল সুমিত্ৰা ৰাভাই এটা টকা লোৱা নাই বুলি স্পষ্ট কৰি কয় যে মানুহে ভাবিব পাৰে জোনমণিৰ মাকে টকা-পইচা লৈ এই গোচৰ উঠাই ল'লে৷ কিন্তু মই সকলো ৰাইজক কৈছো মই কাৰো পৰা এটকাও পইচা লোৱা নাই৷ এনেধৰণৰ কথা ভাবিব পাৰে কাৰো কথা শুনি বা হেঁচাত পৰি এই সিদ্ধান্ত লোৱা নাই৷ সম্পূৰ্ণ নিজৰ সিদ্ধান্তত গোচৰ উঠাই লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো৷ কন্যা জোনমণিৰ মৃত্যু দুৰ্ঘটনাত হোৱা বুলি মানি নলও বুলি কৈ সুমিত্ৰা ৰাভাই কয় যে এয়া দুৰ্ঘটনা নহয়৷ অসম আৰক্ষীৰ তদন্তত বিশ্বাস নকৰো৷ তদন্ত ভাল হ'লে আগতে হ'লহেঁতেন৷ ৪ এপ্ৰিলত বহু চৰ্চিত আৰক্ষী উপ-পৰিদৰ্শক জোনমণি ৰাভাক হত্যাৰ সন্দেহত মাতৃয়ে তৰা গোচৰ প্ৰত্যাহাৰ কৰিছিল খোদ মাতৃয়ে৷ হঠাতে দুৰ্ভগীয়া মাতৃগৰাকীয়ে গোচৰ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে৷ কন্যা জোনমণি ৰাভাৰ সন্দেহজনক পথ দুৰ্ঘটনাত নিহত হোৱাৰ পাছতে জখলাবন্ধা আৰক্ষী থানাত গোচৰ ৰুজু কৰিছিল জোনমণি ৰাভাৰ মাতৃ সুমিত্ৰা ৰাভাই৷ জখলাবন্ধা আৰক্ষী থানাৰ ৮৭/২৩ নম্বৰৰ গোচৰ এক আৰ্জি যোগে প্ৰত্যাহাৰ কৰিছে সুমিত্ৰা ৰাভাই৷ কলিয়াবৰ ন্যায়িক আদালতত চিবিআইৰ আবেষ্টনীত জোনমণি ৰাভাৰ মাতৃ সুমিত্ৰা ৰাভা উপস্থিত হৈ প্ৰত্যাহাৰৰ আৰ্জি দাখিল কৰিছিল আৰু আদালতে আৰ্জি স্বীকাৰ কৰিছিল৷ এই খবৰে ৰাজ্যত মিশ্ৰিত প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিছিল৷ কোনো পক্ষই জোৰ কৰি গোচৰ প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰাইছে নেকি তাকে লৈ সন্দেহ ব্যক্ত কৰিছিল একাংশ লোকে৷ আন একাংশ লোকে দুই সন্তান হেৰুৱাই ভাগৰি পৰা মাতৃগৰাকীয়ে ন্যায় লাভৰ বাবে কিমান দৌৰিব বুলি প্ৰতিক্ৰিয়া ব্যক্ত কৰিছিল৷ ইয়াৰ পূৰ্বে চিবিআয়ে তদন্তৰ প্ৰতিবেদনত জোনমণিৰ মৃত্যুৰ ঘটনাক দুৰ্ঘটনা বুলি উল্লেখ কৰিছিল৷ জোনমণি ৰাভা আছিল অসম আৰক্ষীৰ উপ-পৰিদৰ্শক৷ নগাঁও জিলাৰ মৰিকলং আৰক্ষী চকীত কৰ্মৰত আছিল৷ ২০২৩ চনৰ ১৬ মে'ৰ নিশা মাৰুতি এল্ট'ৰ ভিতৰত থকা অৱস্থাতে জখলাবন্ধাৰ সৰুভগীয়াত ট্ৰাকৰ খুন্দাত প্ৰাণ গৈছিল৷ UP-78-UT-4518 নম্বৰৰ ট্ৰাকখনে খুন্দা মাৰিছিল৷ জোনমণিক হত্যা কৰাৰ সন্দেহ কৰা হয়৷ খোদ আৰক্ষীয়ে হত্যা কৰাৰ অভিযোগ উঠে৷ প্ৰথমে অসম আৰক্ষীৰ চিআইডি পাছত চিবিআইক গোচৰ দিয়া হয়। চিবিআয়ে প্ৰায় ৮ মাহ তদন্ত কৰে৷ মহিলা আৰক্ষী বিষয়াগৰাকীৰ মৃত্যুৰ ৰহস্য ভেদ হোৱাটো বিচাৰিছিল ৰাজ্যবাসীয়ে৷ কিন্তু ৭ ফেব্ৰুৱাৰীত চিবিআয়ে জোনমণি ৰাভাৰ মৃত্যু ঘটনাক লৈ আদালতত প্ৰতিবেদন দাখিল কৰে৷ সুদীৰ্ঘ ৮ মাহৰ পাছত নগাঁও সত্ৰ ন্যায়াধীশৰ আদালতত চিবিআয়ে জোনমণি ৰাভাৰ মৃত্যু ঘটনাৰ চূড়ান্ত প্ৰতিবেদন দাখিল কৰিছিল৷ চূড়ান্ত প্ৰতিবেদনত নিশা দুৰ্ঘটনাত পতিত হৈ মৃত্যু হৈছিল জোনমণি ৰাভাৰ। এই প্ৰতিবেদনক লৈ হতাশ হৈ পৰিছিল জোনমণিৰ মাতৃ৷

# সৰ্বোচ্চ ন্যায়ালয়ত ভীমা-কোৰেগাঁও গোচৰত জামিন পালে সমাজকৰ্মী সোমা সেনে

## বান্ধি দিলে মোবাইলৰ জিপিএছ অন কৰি ৰখাৰ চৰ্ত

**মুম্বাই, ৬ এপ্ৰিলঃ** মহাৰাষ্ট্ৰৰ ভীমা-কোৰেগাঁও হিংসাত্মক গোচৰত গ্ৰেপ্তাৰ হোৱা সমাজকৰ্মী তথা প্ৰাক্তন শিক্ষয়িত্ৰী সোমা সেনৰ জামিন আবেদন মঞ্জুৰ কৰিছে উচ্চতম ন্যায়ালয়ে। ন্যায়াধীশ অনিৰুদ্ধ বসু আৰু ন্যায়াধীশ অগাস্টিন জৰ্জৰ বিচাৰপীঠে অভিযুক্তক চৰ্তসাপেক্ষে মুকলি কৰি দিয়াৰ নিৰ্দেশ দিয়ে। উচ্চতম ন্যায়ালয়ে জামিন মঞ্জুৰ কৰাৰ সময়ত সোমাক কিছু চৰ্ত দিছে। ন্যায়াধীশ অনিৰুদ্ধ বসুৰ বিচাৰপীঠে কয় যে জামিনত থকাৰ সময়ত সোমাই সকলো সময়তে নিজৰ মোবাইল জিপিএছ অন কৰি ৰাখিব লাগিব। তেওঁৰ নতুন মোবাইল নম্বৰ আৰু ঘৰৰ ঠিকনা তদন্তকাৰী বিষয়াক অৱগত কৰিব লাগিব। লগতে উচ্চতম ন্যায়ালয়ে কয় যে পাছপ'ৰ্ট আৰক্ষীৰ ওচৰত জমা দিব লাগিব আৰু মহাৰাষ্ট্ৰৰ বাহিৰত ক'তো যাব নোৱাৰিব। শুকুৰবাৰে সোমাৰ জামিন গোচৰত উচ্চতম ন্যায়ালয়ে পৰ্যবেক্ষণ কৰে যে বয়সৰ লগত জড়িত সমস্যাত ভুগি আছে সোমা। ইয়াৰ বাহিৰেও তেওঁ দীৰ্ঘদিন ধৰি কাৰাগাৰত আছে। মন কৰিবলগীয়া যে ১৫ মাৰ্চত তদন্তকাৰী সংস্থা এন আই এয়ে আদালতত কয় যে সোমাক আৰু জিম্মাত ৰখাৰ প্ৰয়োজন নাই। এই সকলোবোৰ কথা মনত ৰাখি আদালতে ভীমা কোৰেগাঁও হিংসা গোচৰৰ অভিযুক্তক জামিন মঞ্জুৰ কৰে। ২০১৮ চনৰ ১ জানুৱাৰীত দলিত সংগঠন এলগাৰ পৰিষদৰ বিজয় দিৱসৰ অনুষ্ঠানৰ পৰা মহাৰাষ্ট্ৰৰ ভীমা-কোৰেগাঁৱত হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হয়। আৰক্ষীৰ মতে, সেই হিংসা পৰিস্থিতিত সোমা জড়িত আছিল। ইয়াৰ উপৰিও এই গোচৰৰ সৈতে প্ৰবীণ কবি ৱাৰৱৰা ৰাও, ট্ৰেড ইউনিয়নৰ নেতা অধিবক্তা সুধা ভৰদ্বাজ, অধ্যাপক আনন্দ তেলটুম্বেকে ধৰি কেইবাজনো বুদ্ধিজীৱীও জড়িত আছিল। ইয়াৰে বহুকেইজনক আটক কৰে আৰক্ষীয়ে। এই গোচৰত আৰক্ষীয়ে ২০১৮ চনৰ ৬ জুনত সোমাক গ্ৰেপ্তাৰ কৰিছিল। কোৰেগাঁৱত দলিত অনুষ্ঠানক কেন্দ্ৰ কৰি সংঘটিত হোৱা হিংসাত্মক ঘটনাত ৫ গৰাকী ভীমা জড়িত বুলি আৰক্ষীয়ে অভিযোগ উত্থাপন কৰে। তেওঁলোকৰ আঁৰত আছিল মাওবাদীৰ সমৰ্থন। ইয়াৰ উপৰিও ৰাজীৱ গান্ধী-হত্যাৰ দৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক হত্যাৰ ষড়যন্ত্ৰ ৰচনা কৰা বুলিও আৰক্ষীয়ে অভিযোগ উত্থাপন কৰে। ভাৰতীয় দণ্ডবিধিৰ বিভিন্ন ধাৰাৰ লগতে কঠোৰ ইউএপিএৰ অধীনত সোমাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হয়। পিছত গোচৰটোৰ তদন্ত এন আই এৰ হাতত অৰ্পণ কৰা হয়।

# ডিব্ৰুগড়ত নাইকিয়া হ'ল কংগ্ৰেছ চিহ্ন!

**ই-সংবাদ, ডিব্ৰুগড়, ৬ এপ্ৰিলঃ** আঁঠুৱা-কম্বলৰ পাৰ্টি মানেই হ'ল কংগ্ৰেছ দল। ৬০ বছৰত কংগ্ৰেছ চৰকাৰৰ দিনত একো উন্নয়ন নোহোৱা কাম বিজেপি চৰকাৰৰ দিনত বহু উন্নয়ন হৈছে। এই কংগ্ৰেছ পাৰ্টিৰ কাম নাই আৰু ডিব্ৰুগড়ত কংগ্ৰেছ দলৰ চিহ্ন নাইকিয়া হোৱাৰ লগতে জাহাজৰ চিহ্নত বিক্ৰী গ'ল। চাবুৱা বিধানসভা সমষ্টিত আজি কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি এইদৰে মন্তব্য কৰে লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই। বিধায়কগৰাকীয়ে মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই যোৱা বিধানসভা নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতিসমূহ আখৰে আখৰে পালন কৰাৰ কথাও উল্লেখ কৰে। উদাহৰণস্বৰূপে চৰকাৰে প্ৰতিশ্ৰুতি দিয়া অনুসৰি ১ লাখ নিবনুৱাক চাকৰি, অৰুণোদয়ৰ টকা বৃদ্ধি কৰা, ৰেচন কাৰ্ড দিয়া, উজ্বলা আঁচনি দিয়া আদিৰ কথা উল্লেখ কৰে। তদুপৰি ৰেচন কাৰ্ড থকা প্ৰতিটো পৰিয়ালে ২৪-২৫ চনৰ ভিতৰত মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ সিদ্ধান্ত মৰ্মে অৰুণোদয় আঁচনি পাব বুলি লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই জানিবলৈ দিয়ে। উল্লেখ্য যে, শনিবাৰে ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত নাদুৱা হাতীগাধৈ, ডিকম, চেতিয়া গাঁও, হাতীআলিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ বিধায়কগৰাকীয়ে বিজেপি তথা মিত্ৰজোঁটৰ প্ৰতি ৰাইজৰ আশিস-সহযোগিতা কামনা কৰে। আনহাতে নিৰ্বাচনী প্ৰচাৰ সভাতে বিভিন্ন দলৰ বহু সংখ্যক কৰ্মীয়ে বিজেপি দলত যোগদান কৰে।

# মোৰাঝাৰত কামাখ্যা তাছা



**ই-সংবাদ, মোৰাঝাৰ, ৬ এপ্ৰিলঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে কাজিৰঙা লোকসভা সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক বিজেপি আৰু কংগ্ৰেছে কাজিৰঙা লোকসভা সমষ্টিত তীব্ৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। কংগ্ৰেছৰ ৰজলীনা তিৰ্কী আৰু বিজেপিৰ কামাখ্যা প্ৰসাদ তাছাই ভোটাৰৰ মন জয় কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। আজি বিয়লি উমৰুদ্দিনৰ সভাপতিত্বত মোৰাঝাৰ বজাৰত বিজেপিৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হৈ যায়। সভাত দলীয় প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছা উপস্থিত থাকি নিৰ্বাচনী প্ৰচাৰ চলায়। ভাষণত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ উন্নয়নৰ কথা কৈ এইবাৰ হাত-তলা ছবিৰ কথা নাভাবি পদুমফুলৰ ছবিত ভোট দিবলৈ সংখ্যালঘু ৰাইজক আহ্বান জনায়। দেশৰ অৰ্থনীতি টনকিয়াল কৰিবলৈ, নৰেন্দ্ৰ মোদীক তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী বনাবলৈ ভোট দিয়াৰ আহ্বান জনায়। সভাত অগপৰো নেতা-কৰ্মী আৰু বিজেপিৰ জিলা পৰ্যায়ৰো নেতা উপস্থিত থাকে।

# কংগ্ৰেছৰ ইস্তাহাৰক পাকিস্তানৰ ইস্তাহাৰ আখ্যা হিমন্ত বিশ্ব শৰ্মাৰ

## 'পাকিস্তানৰ পৰা নিৰ্বাচন খেলিব কংগ্ৰেছে'

**ই-সংবাদ, ৬এপ্ৰিলঃ** নিৰ্বাচনী প্ৰচাৰৰ ব্যস্ততাৰ মাজতে কংগ্ৰেছ দলক আক্ৰমণ লক্ষ্য কৰি লৈছে অসমৰ মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰক লক্ষ্য কৰি লৈ পাকিস্তানক মাজলৈ টানি আনিছে। কংগ্ৰেছ দলে পাকিস্তানত নিৰ্বাচনৰ প্ৰস্তুতিৰ বাবে ইস্তাহাৰ প্ৰস্তুত কৰিছে বুলি তীব্ৰ আক্ৰমণ কৰি মুখ্যমন্ত্ৰীয়ে কয় ইস্তাহাৰখনে বহুবিবাহ আৰু তিনি তালাকৰ দৰে বিতৰ্কিত আইন পুনৰ প্ৰৱৰ্তনক সমৰ্থন কৰিছে। যাৰ অৰ্থ হৈছে যে কংগ্ৰেছ দলে পাকিস্তানৰ পৰা নিৰ্বাচনত যুঁজিবলৈ সাজু।গান্ধী পৰিয়ালৰ দুৰ্নীতি আৰু ক্ষমতাৰ অপব্যৱহাৰৰ অভিযোগ তুলি মুখ্যমন্ত্ৰী ডাঃ শৰ্মাই কয় যে গান্ধী পৰিয়ালে নৌসেনাৰ জাহাজত সময় কটোৱা, গুৰুত্বপূৰ্ণ ধৰ্মীয় স্থান বৰ্জন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে কংগ্ৰেছৰ কাম নৌসেনাৰ জাহাজত ছুটি কটোৱা, বাবৰৰ সমাধি ভ্ৰমণ কৰা, অযোধ্যা বৰ্জন কৰা, চেংগালক খোজ কঢ়া লাঠি হিচাপে ব্যৱহাৰ কৰা, বিমানবন্দৰৰ পৰা এজন মুখ্যমন্ত্ৰীক বৰ্খাস্ত কৰা, মৃত্যুৰ পিছত প্ৰাক্তন প্ৰধানমন্ত্ৰীক অপমান কৰা।



**যোৰহাটত যুঁজ এখন হ'ব! মহিলাসকলক লগত লৈ গৌৰৱ গগৈৰ নিৰ্বাচনী প্ৰচাৰ**

# বাতৰি কাকতত বিজ্ঞাপন প্ৰকাশক লৈ কঠোৰ নিৰ্বাচন আয়োগ

**ই-সংবাদ, সোণাৰি, ৬ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ ভোটদানৰ আগদিনা আৰু ভোটদানৰ দিনা বাতৰি কাকতত ৰাজনৈতিক দলৰ বিজ্ঞাপন প্ৰকাশত যথেষ্ট কঠোৰ হৈছে ভাৰতীয় নিৰ্বাচন আয়োগ। দুয়োটা দিনত প্ৰকাশ পাবলগীয়া ৰাজনৈতিক বিজ্ঞাপনসমূহ প্ৰকাশ কৰিবলৈ ৰাজ্যিক অথবা জিলা পৰ্যায়ৰ এমচিএমচি সমিতিৰ পৰা প্ৰাৰম্ভিক প্ৰমাণপত্ৰ ল'ব লাগিব। ভাৰতৰ নিৰ্বাচনী আয়োগৰ অৱৰ সচিব ৰাজেশ কুমাৰ সিঙে এই সন্দৰ্ভত যোৱা ১ এপ্ৰিলত জাৰি কৰা এক পত্ৰ যোগে ভাৰতৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকললৈ এক নিৰ্দেশনা প্ৰদান কৰিছে। এই নিৰ্দেশনা পত্ৰযোগে কোৱা হৈছে যে এনে বহু বিজ্ঞাপনে নিৰ্বাচনত জনসাধাৰণক বিপথে পৰিচালিত কৰে আৰু নিৰপেক্ষ ভোটদানত বাধাৰ সৃষ্টি কৰে। সেয়ে, ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩২৪ অনুযায়ী নিৰ্বাচন আয়োগে পূৰ্বে অনুমতি নোলোৱা যিকোনো ৰাজনৈতিক বিজ্ঞাপন ভোটদানৰ আগদিনা আৰু ভোটদানৰ দিনা বাতৰি কাকতত প্ৰকাশ কৰাটো নিষিদ্ধ কৰিছে। দুয়োটা দিনা প্ৰকাশ পাবলগীয়া বিজ্ঞাপনসমূহ প্ৰকাশৰ দুদিন পূৰ্বেই ৰাজ্যিক অথবা জিলা পৰ্যায়ৰ এমচিএমচি সমিতিৰ মাধ্যমেৰে প্ৰকাশৰ বাবে অনুমতি ল'ব লাগিব। উল্লেখ্য যে, প্ৰথম পৰ্যায়ৰ ১৯ এপ্ৰিলৰ ভোটদানৰ ক্ষেত্ৰত এই নিয়ম ১৮ আৰু ১৯ এপ্ৰিলত প্ৰযোজ্য হ'ব।

## ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ সাক্ষাৎকাৰত সৰ্বানন্দ সোণোৱাল

# অসমত 'কা' সমস্যা নহয়, 'কা' খিলঞ্জীয়াৰ বাবে ক্ষতিকাৰক নহয়

**ই-সংবাদ, ৬ এপ্ৰিলঃ** নাগৰিকত্ব সংশোধনী আইন অসমৰ বাবে এতিয়া সমস্যা নহয়। আজি ৰাষ্ট্ৰীয় সংবাদ প্ৰতিষ্ঠানক এটাক সাক্ষাৎকাৰ দি এই কথা প্ৰকাশ কৰিছে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে কয় যে 'কা' এতিয়া অসমৰ বাবে সমস্যা নহয়। অসমত 'কা' সন্দৰ্ভত ভুলকৈ উপস্থাপন কৰা হৈছে। 'কা' উত্তৰ-পূবৰ খিলঞ্জীয়া লোকসকলৰ বাবে ক্ষতিকাৰক নহয়। যদি 'কা'ক লৈ ন্যায়ালয়ে কোনো সিদ্ধান্ত লয় তেন্তে সকলোৱে সন্মান কৰা উচিত। এজন ৰাজনীতিবিদ হিচাপে আমাৰ কৰ্তব্য হৈছে আমাৰ পূৰ্বপুৰুষসকলৰ মূল্যবোধক আগুৱাই নিয়া। আমি মূল্য-আধাৰিত ৰাজনীতিৰ পৰা আঁতৰি যোৱা নাই। কেন্দ্ৰীয় মন্ত্ৰী তথা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে লোকসভা নিৰ্বাচনত বিজয়ী হোৱাৰ দাবী কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি পুনৰ ক্ষমতালৈ আহিব বুলি কয়। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত অভূতপূৰ্ব পৰিৱৰ্তন হৈছে। সকলো শ্ৰেণী উপকৃত হৈছে। সোণোৱালে অসমত বিজেপিৰ লক্ষ্য ১৪ খন আসন বুলি কৈ ১২ খন আসন লাভ কৰাৰ লগতে উত্তৰ-পূবৰ ২৫ খন আসনৰ ভিতৰত ২৩ খন আসন জিকাৰ লক্ষ্য নিৰ্ধাৰণ কৰা বুলি কয়। সোণোৱালে আৰু কয় যে আমাৰ লক্ষ্য স্পষ্ট যে ভাৰতক তিনি শীৰ্ষ অৰ্থনীতিত উপনীত কৰা। এই নিৰ্বাচন এখন স্বাৱলম্বী ভাৰত গঢ়াৰ নিৰ্বাচন। অসমত চাহ বাগিচাৰ শ্ৰমিকসকলৰ অৱস্থা সন্দৰ্ভত সোণোৱালে কয় যে চাহ বাগিচাৰ শ্ৰমিকসকলৰ উন্নতিৰ বাবে বিজেপিয়ে ভাল পদক্ষেপ গ্ৰহণ কৰিছে। সকলোকে লগত লৈ ডিব্ৰুগড় আৰু অসম বিকাশ কৰা, পথ আন্তঃগাঁথনি উন্নত কৰাৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়ে সৰ্বানন্দ সোণোৱালে।

# ৰেচন কাৰ্ড থকা সকলো পৰিয়ালক অৰুণোদয় আঁচনি প্ৰদানৰ ঘোষণা পীয়ুষৰ

## নিৰ্বাচনী আচৰণ বিধিক আওকাণৰ অভিযোগ বিৰোধীৰ

**ই-সংবাদ, যোৰহাট, ৬ এপ্ৰিলঃ** নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ আছে যদিও বিজেপিৰ নেতা-মন্ত্ৰীয়ে বিভিন্ন আঁচনি প্ৰদানৰ ঘোষণা কৰি গৈছে। খোদ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মেট্ৰিক উত্তীৰ্ণ, ডিগ্ৰীত নাভৰ্তি কৰা আৰু ডিগ্ৰীত উত্তীৰ্ণ ছাত্ৰীক টকা দিয়াৰ ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীৰ এনে ঘোষণাই নিৰ্বাচনী আচৰণ বিধি উলংঘা হোৱাৰ অভিযোগ দাখিল কৰিছে বিৰোধী দলসমূহে। শাসকীয় দলে শাসনত থকাৰ সুবিধা লৈছে। এইবাৰ মন্ত্ৰী পীয়ুষ হাজৰিকাই ৰেচ কাৰ্ড হিতাধিকাৰীক অৰুণোদয় আঁচনি প্ৰদানৰ ঘোষণা কৰিছে। যোৰহাট জিলাৰ টিয়ক সমষ্টিত মন্ত্ৰী পীয়ুষ হাজৰিকাই সকলো ৰেচন কাৰ্ড থকা হিতাধিকাৰীক অৰুণোদয় আঁচনি



প্ৰদানৰ ঘোষণা কৰিছে। আজি নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ হাজৰিকাই বিজেপি চৰকাৰে কৰা কামৰ খতিয়ান দাঙি ধৰি ৰেচন কাৰ্ড থকা সকলো পৰিয়ালক অৰুণোদয় আঁচনি প্ৰদানৰ ঘোষণা কৰে।

# উত্তৰ-পূবৰ মাৰৱাড়ী ব্যক্তিৰ জীৱন আধাৰিত বিশেষ গ্ৰন্থ

ড০ বুলজিৎ বুঢ়াগোহাঁই

**'কীৰ্তি সুবাস'** হ'ল সমাজ সংগঠক, সাংবাদিক তথা প্ৰবন্ধকাৰ উমেশ খণ্ডেলিয়াদেৱে সম্পাদনা কৰা এখন প্ৰবন্ধ সংকলন। 'কীৰ্তি সুবাস'খন উত্তৰ-পূব ভাৰতৰ জনদিয়েক মাৰৱাড়ী ব্যক্তিৰ জীৱন আধাৰিত গ্ৰন্থ। এই গ্ৰন্থখনৰ প্ৰকাশক হ'ল- পূৰ্বোত্তৰ মাৰৱাড়ী মণ্ডলীয় সমিতি (মণ্ডল 'গ') আৰু প্ৰকাশন কোষ, উত্তৰ লখিমপুৰ সাহিত্য সভা। গ্ৰন্থখনত মুঠ ২৫৭ পৃষ্ঠা আছে আৰু ইয়াৰ মূল্য ৪০০ টকা। গ্ৰন্থখনৰ প্ৰথম প্ৰকাশ ফেব্ৰুৱাৰী, ২০২৪ চন আৰু মুদ্ৰণ ব্যৱস্থাপনাত আছে উঁৰিয়লি, লখিমপুৰ। গ্ৰন্থখনত শুভেচ্ছা বাণী আগবঢ়াইছে ড০ সূৰ্য্যকান্ত হাজৰিকা, সভাপতি, অসম সাহিত্য সভা ; মোহন সোনোৱাল , সভাপতি, সোনোৱাল কছাৰী সাহিত্য সভা; ড০ অমিয়া ৰাজবংশী সভাপতি, প্ৰকাশন কোষ, উত্তৰ লখিমপুৰ সাহিত্য সভা আৰু ড০ বন্তি গগৈ হাওবৰা , প্ৰকাশন কোষ, উত্তৰ লখিমপুৰ সাহিত্য সভা।

গ্ৰন্থখনৰ 'আগকথা (সুন্দৰৰ আৰাধনা জীৱনৰ খেলা)'ত ড০ মুকুন্দ ৰাজবংশীয়ে এইদৰে উল্লেখ কৰিছে, "... ইংৰাজসকলে ১৮১৮ চনত অসমক নিজৰ অধীনলৈ অনাৰ পাছৰে পৰা সুদূৰ ৰাজপুতনাৰ (বৰ্তমানৰ ৰাজস্থান) পৰা অসমলৈ তথা উত্তৰ-পূব ভাৰতলৈ প্ৰায় ৬ লাখৰো অধিক লোকৰ প্ৰব্ৰজন ঘটিল। তেওঁলোকে অসমখনক দ্বিতীয় ঘৰ হিচাপে গ্ৰহণ কৰি সোণত সুৱগা চৰোৱাৰ দৰে অসমৰ ভাষা-সংস্কৃতিক নিজৰ হিচাপে লৈ জাগ্ৰত প্ৰহৰীৰ দৰে সেৱা আগবঢ়াই আছে।... শ্ৰী উমেশ খণ্ডেলিয়াৰ পৰশত সম্পাদিত গ্ৰন্থ 'কীৰ্তি সুবাস' অসমৰ এক আপুৰুগীয়া গ্ৰন্থ হৈ বৃহত্তৰ অসমীয়া সমাজক চহকী কৰিব বুলি আশা কৰিলোঁ। বিখ্যাত মনীষী ভলটেয়াৰে কৈছিল- 'গ্ৰন্থই বিশ্বখনক নিয়ন্ত্ৰণ কৰে।' সেইদৰে এই গ্ৰন্থ- 'কীৰ্তি সুবাস'-এ বৃহত্তৰ অসমীয়া আৰু মাৰৱাড়ী সমাজৰ মধুৰ মিলনৰ স্বাক্ষৰৰ ইতিহাস চিৰসেউজীয়া কৰি ৰাখিব।"

পূৰ্বোত্তৰ প্ৰদেশীয় মাৰৱাড়ী সন্মিলন, মণ্ডলীয় সমিতি (মণ্ডল 'গ')ৰ সম্পাদক, ৰাজকুমাৰ সৰাফ আৰু সভাপতি, ছত্তৰ সিং গিৰিয়াদেৱে 'প্ৰকাশকৰ একাষাৰ'ত এইদৰে উল্লেখ কৰিছে- "...১৯৩৫ চনত অসমৰ ডিব্ৰুগড়ত জন্মলাভ কৰি সমগ্ৰ ভাৰতবৰ্ষত বিস্তাৰিত হোৱা মাৰৱাড়ী সন্মিলন মাৰৱাড়ীসকলৰ এক অৰাজনৈতিক জনকল্যাণমূলক সামাজিক সংগঠন। জন্মলগ্নৰ পৰাই মাৰৱাড়ী সমাজক সংস্কাৰিত আৰু সংগঠিত কৰাৰ উপৰি স্থানীয় সমাজ-সংস্কৃতি, ভাষা- সাহিত্য, উদ্যোগ-বাণিজ্য আদিৰ উন্নতিৰ বাবে আত্মনিয়োগ কৰি আহিছে। এই সংগঠনৰ পৰিচয় উত্তৰ-পূব ভাৰতত পূৰ্বোত্তৰ প্ৰাদেশীয় মাৰৱাড়ী সন্মিলন হিচাপে জনা যায়। অলপতে আমি জৰীপ কৰি লোৱা তথ্যৰ মতে, অসমৰ শতাধিক মাৰৱাড়ী সাহিত্যিকৰ দ্বাৰা ৰচিত পাঁচশৰো অধিক গ্ৰন্থ ইতিমধ্যে প্ৰকাশ আৰু বিতৰণ হৈছে। অসমৰ মাৰৱাড়ী সমাজৰ সম্পৰ্কে অসমীয়া পাঠক সমাজক আৰু অধিক অৱগত কৰাৰ মানসেৰে মাৰৱাড়ী সন্মিলনে ইতিমধ্যে কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰিছে। "

'সম্পাদকীয় অনুভৱ'ত উমেশ খণ্ডেলিয়াদেৱে এইদৰে উল্লেখ কৰিছে- "...সহজ-সৰল, কষ্টসহিষ্ণু, ব্যৱসায়পটু, দানী প্ৰবৃত্তিৰ, সমন্বয়ভাৱী আদি সৰ্বসাধাৰণে মাৰৱাড়ীসকলক দিয়া বিশেষণমূলক সম্বোধন। এই বিশেষণসমূহৰ আধাৰ নিশ্চয় নথকা নহয়। অনুসন্ধানমূলক প্ৰবৃত্তি থকাৰ বাবে মোৰ মনত ইয়াৰ ভিত্তি জনাৰ আগ্ৰহ কিশোৰ কালৰ পৰাই আছিল। ২০০১ চনত ধেমাজিত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনৰ পাছৰ পৰা এই মনোভাৱটো আৰু অধিক সবল হৈ পৰিল। চেষ্টা আৰম্ভ হ'ল।"

এই গ্ৰন্থখনত থকা অন্যতম প্ৰবন্ধবোৰ হ'ল -স্মিতা খাটুৱালাৰ 'ড০ শ্যামসুন্দৰ হাৰলালকা: এক বিৰল ব্যক্তিত্ব',যোগেশ কাকতিৰ 'প্ৰয়াত দুৰ্গাদত্ত কয়াল (আগৰৱালা)',ৰাজেশ ৰাঠীৰ 'লখিমপুৰৰ মাৰৱাড়ী সমাজৰ প্ৰথম স্নাতক: মদনলাল মালপানী',অৰুণজ্যোতি বৰাৰ 'বিশিষ্ট হিন্দী সাহিত্যিক, শ্ৰীমন্ত শংকৰদেৱৰ গৱেষণা বঁটাপ্ৰাপক ড০ সাঁৱৰমল সাংগানেৰীয়াৰ জীৱন আৰু কৃতিত্ব', দীপালী চেতিয়া বৰগোহাঁইৰ 'শদিয়াবাসীৰ বটবৃক্ষ ভগৱতী প্ৰসাদ শৰ্মা', যোগেশ কাকতিৰ 'বৃক্ষবন্ধু' ৰাধেশ্যাম গোৱেংকা', প্ৰসেনজিৎ গোস্বামীৰ 'দেৱীপ্ৰসাদ বাগড়োদিয়া', লক্ষেশ্বৰ দত্তৰ 'আৰ্তজনৰ বন্ধু, সমাজসেৱক ৰাজেন্দ্ৰ কুমাৰ আগৰৱালা',বজৰঙ্গ খেমকাৰ 'নলবাৰীৰ সমাজহিতৈষী ঈশ্বৰ দাস বাজাজ', টঙ্গী দেৱীৰ 'শান্তা আগৰৱালা', ওঁংকাৰ পাৰিকৰ 'স্বৰ্গীয় নন্দলাল গাৰোডিয়া', যোগেশ কাকতিৰ 'প্ৰয়াত দুৰ্গাদত্ত লোহিয়া', অনুপম শইকীয়াৰ 'ওংকাৰমল আগৰৱালা', বগেন গগৈৰ 'উনবিংশ শতিকাৰ অসমীয়া সাহিত্য আৰু হৰিবিলাস আগৰৱালা'।

এইগ্ৰন্থখনতে উল্লেখ আছে - এজন ডাক্তৰে জ্ঞানচন্দ্ৰ জৈন নামৰ সৰু ল'ৰা এটাক কৈছিল- 'তুমি জীৱনত কোনোদিনে ডাক্তৰ হ'ব নোৱাৰা। যদি কিবাকৈ ডাক্তৰ হৈও যোৱা, 'ছাৰ্জন' কেতিয়াও হ'ব নোৱাৰিবা।' সেই সৰু ল'ৰাটোক এই কথাখিনিয়ে ভৱিষ্যতৰ বাবে এটা যাত্ৰাপথ দিলে। সেই ডাক্তৰজনৰ এনে কথা শুনি তেওঁ নিজৰ শৈশৰ কালতে পণ ল'লে- 'জীৱনত যদি কিবা হ'ম, একমাত্ৰ ডাক্তৰ হ'ম, তাকো 'ছাৰ্জন'।' জ্ঞানচন্দ্ৰ জৈনে পৰৱৰ্তী সময়ত নিজৰ লক্ষ্যত উপনীত হয় আৰু ডাঃ জ্ঞানচন্দ্ৰ জৈন ওৰফে জি, চি, জৈন নামেৰে খ্যাত হয়।

আমাৰ দেশ ভাৰতবৰ্ষ ব্ৰিটিছৰ অধীনত থকাৰ সময়তে সুদূৰ ৰাজস্থানৰ পৰা মাৰৱাড়ী মূলৰ এটা পৰিয়াল ব্যৱসায়সূত্ৰে উজনি অসমৰ অজান্তিমুলুক হিচাপে পৰিচিত জোনাই-মুৰ্কংচেলেক অঞ্চলত থিতাপি লৈছিল। অসমীয়া জাতিৰ সৈতে বিশেষকৈ মিচিংসকলৰ সমাজ-জীৱনত এই পৰিয়ালটোৱে ইমানেই সম্পৃক্ত হৈ পৰিছিল যে পৰৱৰ্তী সময়ত তেওঁলোকৰ পৰিয়ালটোৱে নিজা উপাধিটোৰ লগত 'মিৰি' বুলি লিখিবলৈ ল'লে আৰু ৰাইজেও তেওঁলোকক মিৰি পৰিয়াল বুলিয়েই চিনি পায়। সেই বিষয়েও গ্ৰন্থখনৰ পাতত উল্লেখ আছে।

অসমৰ ঔদ্যোগিক, বাণিজ্যিক আৰু সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত মাৰৱাড়ীসকলৰ অৱদান আজিৰ পৰা প্ৰায় দুশ বছৰৰ আগতেই আৰম্ভ হৈছিল। অসমৰ ৰাজনীতিৰ ক্ষেত্ৰখনত বিশেষ ধৰণৰ ভূমিকা গ্ৰহণ নকৰি কেৱল বাণিজ্যিক আৰু ঔদ্যোগিক বিকাশৰ লগতে সাহিত্যৰ দিশটোত মনোনিৱেশ কৰা এই মাৰৱাড়ী সমাজৰ নিৰৱচ্ছিন্ন অৱদান তথা চৰ্চাৰ ধাৰাবাহিকতা আজিও অক্ষুণ্ণ আছে। বাণিজ্যিক দিশটোক কেন্দ্ৰ কৰি সুদূৰ ৰাজস্থানৰ পৰা কেৱল অসমেই নহয়, সমগ্ৰ দেশৰ বিভিন্ন প্ৰান্তলৈ সিঁচৰতি হৈ পৰা এই মাৰৱাড়ী সমাজে অসমৰ সাহিত্য- সংস্কৃতিলৈ আগবঢ়োৱা অৱদান অতুলনীয়। 'কীৰ্তি সুবাস' গ্ৰন্থখন পঢ়ি ভাল লাগিল। এই গ্ৰন্থখনে মাৰৱাড়ী তথা বৃহত্তৰ অসমীয়া সমাজক উপকৃত কৰাৰ লগতে অসমীয়া ভাষা আৰু সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াব বুলি আশা কৰিব পাৰি।

ই-সংবাদ দেওবৰীয়া

# ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধৰ অকথিত কাহিনী

**আমেৰিকাৰ** এটা গোপন ফাইল ডিক্লাছিফাই কৰাৰ পাছত এটা কথা পোহৰলৈ আহিল যে ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধত তদানিন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে পাক অধিকৃত কাশ্মীৰো মুক্ত কৰাৰ লগতে শত্ৰু দেশখনক টুকুৰা টুকুৰ কৰি তেনেই নিশকতীয়া কৰিব খুজিছিল।

কিন্তু ইন্দিৰা গান্ধীৰ কেবিনেটত থকা তিনিজন চি আই এৰ এজেন্টৰ বাবে এই পৰিকল্পনা ব্যৰ্থ হৈছিল। ইন্দিৰা গান্ধীয়ে কেবিনেটত যুদ্ধৰ আচল উদ্দেশ্য যে পাকিস্তানক চিৰদিনলৈ দুৰ্বল কৰি পাক অধিকৃত কাশ্মীৰ মুক্ত কৰাটোহে আছিল, সেই কথা প্ৰকাশ কৰিছিল।

সেই কথা আমেৰিকাই গম পাই পাকিস্তান ৰক্ষাৰ বাবে তেতিয়াৰ ভাৰতবন্ধু ছোভিয়েট-ৰুছিয়াক ভাবুকি দিয়াৰ লগতে চীনকো ভাৰতৰ বিৰুদ্ধে প্ৰৰোচিত কৰিছিল। এনে পাকচক্ৰত পৰিয়ে ইন্দিৰা গান্ধীয়ে যুদ্ধৰ সামৰণি মাৰিবলৈ বাধ্য হৈছিল।

গোপন ফাইলটো প্ৰকাশ কৰাৰ সিদ্ধান্ত লোৱাৰ পাছতো ভাৰতৰ যি গোপন সূত্ৰৰপৰা ইন্দিৰা গান্ধীৰ প্ৰকৃত উদ্দেশ্য জানিব পাৰিছিল, সেই সূত্ৰ আঁৰ কৰিয়ে ৰখা হ'ল। তথাপি এজন আমেৰিকান সাংবাদিক ছেইমাৰ এম হাৰ্ছে (Seymour M Hersh) তেওঁৰ 'দ্য প্ৰাইচ অব পাৱাৰ' (The Price of Power) গ্ৰন্থত এই কথা প্ৰকাশ কৰিছে।

ইন্দিৰা গান্ধীৰ কেবিনেটৰ যি তিনিজন চি আই এৰ এজেন্টৰ কথা কোৱা হৈছে, তাৰে এজনৰ নাম শুনিলে আপোনাৰ চকু কপালত উঠিব, কাৰণ তেওঁ পৰৱৰ্তী সময়ত ভাৰতৰ প্ৰধানমন্ত্ৰী হৈছিল। অনুমান কৰিব পাৰিছেনে তেওঁ কোন? হয় আপুনি ঠিকেই ধৰিছে-তেওঁ আছিল মোৰাৰজী দেশাই। হাৰ্ছৰ বিৰুদ্ধে মোৰাৰজী দেশায়ে আমেৰিকাৰ আদালতত মানহানি মোকৰ্দমা তৰিছিল যদিও নিজকে নিৰ্দোষ প্ৰমাণ কৰিব নোৱাৰি পৰাজিত হয়।

ইমতিয়াজ হুছেইন

## ৰাইজৰ কাষ চাপিবলৈ বিৰোধীৰ ওচৰত নাই গ্ৰহণযোগ্য ইচ্ছ্যু

# পদমৰ্যদা পাহৰি চৰকাৰৰ গুণগান অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ

**ই-সংবাদ, তামুলপুৰ, ৬ এপ্ৰিলঃ** চৰকাৰে গ্ৰহণ কৰা জনকল্যাণমূলক আঁচনিৰ বিৰোধিতা বিৰোধিয়ে কৰিলে ৰাইজে কেতিয়াও মানি নলয়। এই ভাষ্য অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ। তামুলপুৰত সাংবাদিকেৰে হোৱা বাৰ্তালাপত এনেদৰে কয় বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। নিৰ্বাচনক লৈ সাংবাদিকেৰ মত-বিনিময় কৰি বিধানসভাৰ অধ্যক্ষ দৈমাৰীয়ে বিৰোধীয়ে চৰকাৰৰ কাম-কাজৰ বিৰোধ কৰাৰ নামত বিৰোধিতা কৰি লাভ নাই বুলি কয়। পদ মৰ্য্যদা পাহৰি চৰকাৰৰ গুণগান গাই বিশ্বজিৎ দৈমাৰীয়ে বৰ্তমান সময়ত ভাৰতবৰ্ষত নৰেন্দ্ৰ মোদী আৰু অসমত মুখ্যমন্ত্ৰী ডত হিমন্ত বিশ্ব শৰ্মাই গ্ৰহণ কৰা জন কল্যাণমূলক আঁচনিয়ে জনসাধাৰণক আশ্বস্ত কৰিছে বুলিও কয়। চৰকাৰে মানুহৰ ব্যক্তিগত জীৱনলৈকে উপকাৰ হোৱাআঁচনি গ্ৰহণ কৰিছে। তেন সময়ত চৰকাৰে গ্ৰহণ কৰা আঁচনিৰ বিৰুদ্ধে বিৰোধিয়ে বিৰোধিতা কৰিলে ৰাইজে কেতিয়াও মানি নলয়। নিৰ্বাচনী প্ৰচাৰৰ ক্ষেত্ৰত বিৰোধিয়ে ক্ষমতাত থকা চৰকাৰৰ বিৰুদ্ধে গ্ৰহণ যোগ্য কোনো ধৰণৰ ইচ্ছ্যু লৈ ৰাইজৰ কাষ চাপিব পৰা নাই বুলিও মন্তব্য কৰে বিধানসভাৰ অধ্যক্ষগৰাকীয়ে। আনহাতে নিৰ্বাচন সদায় জনগণৰ বাবে। নিৰ্বাচন সদায় শান্তিপুৰ্ণ ভাৱে অনুষ্ঠিত হ'ব লাগে। যি জনে দেশৰ আৰু দহৰ হৈ কাম কৰিব পাৰে তেনে লোকক জনপ্ৰতিনিধি হিচাপে ভোট দি নিৰ্বাচিত কৰিব লাগে। শেহতীয়াকৈ দেশৰ গণতন্ত্ৰ ৰক্ষাৰ স্বাৰ্থত নিৰ্বাচন শান্তিপূৰ্ণ আৰু সকলোৰে সুৰক্ষাৰ বাবে সূচাৰুভাৱেপৰিচালনা কৰাৰ ক্ষেত্ৰত দেশৰ নিৰ্বাচনী আয়োগে গ্ৰহণ কৰা কঠোৰ স্থিতিক আদৰণি জনাই বিধাধনসভাৰ অধ্যক্ষগৰাকীয়ে। ইপিনে ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলৰ নেতাৰ পদত্যাগ তথা দল বাগৰা ৰাজনীতি সন্দৰ্ভত সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয় যে একাংশ ৰাজনৈতিক নেতাৰ বহুত উচ্চকাংক্ষা থাকে। কিছুমানে ৰাজনীতিৰ জড়িয়তে সমাজৰ কাম কৰিব খোজে। নিজৰ দলৰ নেতৃত্বৰ কাম-কাজত অসন্তুষ্ট হৈ একাংশ ৰাজনৈতিক নেতাই আন কোনো শক্তিশালী বিকল্প ৰাজনৈতিক দলত যোগদান কৰে। ৰাজনীতিত এয়া সম্ভৱ বুলি কয় বিধানসভাৰ অধ্যক্ষগৰাকীয়ে।

## ওদালগুৰিত উপস্থিত নিৰ্বাচনী পৰ্যবেক্ষক



**ই-সংবাদ, ওদালগুৰি, ৬ এপ্ৰিলঃ** দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ লোকসভা নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষক ডত এম আৰ ৰবি ৩ এপ্ৰিল তাৰিখে ওদালগুৰিত উপস্থিত হয়। নিৰ্বাচন পৰ্যবেক্ষক ড° এম আৰ ৰবিক ওদালগুৰিৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰথম মহলাৰ ২ নং কোঠাত সাক্ষাৎ কৰিব পাৰিব। ইয়াৰ উপৰিও দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ ব্যয় পৰ্যবেক্ষক দীপক আনন্দো ২৮ মাৰ্চত ওদালগুৰিত উপস্থিত হৈছে। জিলা উপায়ুক্ত কাৰ্যালয়ৰ চৌহদৰ তলৰ মহলাৰ ৪১ নং কোঠাত ৰাজহুৱা সভাৰ বাবে ব্যয় পৰ্যবেক্ষক আনন্দ উপলব্ধ হ'ব। মানুহে তেওঁৰ সৈতে ৯২৮৪৩৯৮৩৩৮ নম্বৰত যোগাযোগ কৰিব পাৰে আৰু যিকোনো অভিযোগৰ বাবে তেওঁৰ ইমেইল আইডিও ৰাজহুৱা কৰা হৈছে । উদালগুৰিৰ জিলা আয়ুক্ত তথা দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ ৰিটাৰ্নিং বিষয়া জাবীৰ ৰাহুল সুৰেশে এক প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা উল্লেখ কৰিছে। দীপক আনন্দ চাৰ্কিট হাউছৰ ২ নং কোঠা( গ্ৰাউণ্ড ফ্ল'ৰ)তো উপলব্ধ হ'ব।

## অস্পষ্ট ৰাজনৈতিক স্থিতিৰ বাবেই এই সিদ্ধান্তঃ প্ৰমোদ

# বিটিচিৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসৰ কাৰ্য্যবাহী সদস্যৰ পদ কৰ্তন

**ই-সংবাদ, কোকৰাঝাৰ, ৬ এপ্ৰিলঃ** ৰাজ্যপালৰ এক নিৰ্দেশনা মৰ্মে বিটিচিৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসৰ কাৰ্য্যবাহী সদস্যৰ পদ কৰ্তন কৰিছে অসম চৰকাৰৰ বড়োলেণ্ড কল্যাণ বিভাগৰ মুখ্য সচিব মুকেশ চন্দ্ৰ চাহুৱে। অসম চৰকাৰৰ বড়োলেণ্ড কল্যান বিভাগৰ মুখ্য সচিব মুকেশ চন্দ্ৰ চাহু স্বাক্ষৰিত এক পত্ৰযোগে (নংE/344949/1331) আজি কাৰ্য্যবাহী সদস্য ঘনশ্যাম দাসৰ কাৰ্যবাহী সদস্য পদ তৎকালে বলৱৎ হোৱাকৈ কৰ্তন কৰা হৈছে। উল্লেখ্য যে ঘনশ্যাম দাস সাংসদ নৱ কুমাৰ শৰণীয়াৰ গণ সুৰক্ষা পাৰ্টী (জিএছপি) দলৰ নিৰ্বাচিত পাৰিষদ আছিল। কাৰ্যবাহী সদস্য পদ কি কাৰণত কৰ্তন কৰা হ'ল সেয়া অৱশ্যে নিৰ্দেশনাপত্ৰত উল্লেখ নাই। ইপিনে ঘনশ্যাম দাসৰ কাৰ্য্যবাহী সদস্যৰ পদ কৰ্তন কৰা সন্দৰ্ভত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে আজি সংবাদমাধ্যমৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। তেওঁ কয় যে ৰাজনৈতিক স্থিতি স্পষ্ট কৰিব নোৱাৰাৰ বাবেই কাৰ্যবাহী সদস্যৰ পদ কৰ্তন কৰিবলৈ বাধ্য হলো। উল্লেখ্য যে কিছুদিন পূৰ্বে জিএছপিৰ সভাপতি তথা সাংসদ নৱ কুমাৰ শৰণীয়াই ইউপিপিএলৰ সতে মিত্ৰতা নাই বুলি মন্তব্য কৰিছিল। বিষয়টোক লৈ মিত্ৰজোঁটৰ মাজত চৰ্চা লাভ কৰিছিল আৰু স্থিতি স্পষ্ট কৰিবলৈ কোৱা হৈছিল । কিন্তু তেওঁলোকৰ স্থিতি স্পষ্ট নকৰাৰ বাবে কাৰণে পদ কৰ্তন কৰিবলৈ বাধ্য হলো বুলি মন্তব্য কৰিছে প্ৰমোদ বড়োৱে । প্ৰমোদ বড়োৱে সংবাদ মাধ্যমৰ আগত কয় - তৃতীয়বাৰৰ বাবে নৰেন্দ্ৰ মোডী প্ৰধানমন্ত্ৰী হবলৈ গৈ আছে , কোকৰাঝাৰ লোকসভাৰ আসনখন জৰুৰী । ইয়াত দোদুল্যমান স্থিতি ললে নচলিব। ঘনশ্যাম দাস কষ্ট কৰিব পৰা ব্যক্তি আছিল কিন্তু ৰাজনৈতিক স্থিতি স্পষ্ট কৰিব নোৱাৰাৰ বাবেই এনে সিদ্ধান্ত লবলৈ বাধ্য হলো। সকলোৰে পৰামৰ্শ আৰু ফিডবেক লৈ এনে সিদ্ধান্ত গ্ৰহণ কৰা গৈছে বুলিও সদৰি কৰে প্ৰমোদ বড়োৱে। ঘনশ্যাম দাসৰ কাৰ্যবাহী সদস্য পদ কৰ্তন কৰিবলৈ বিটিচিৰ পৰা প্ৰস্তাৱ (নং BTC/ PS -AD /01/2023/19 DTD. 04/04/2024) পঠোৱা হৈছিল আৰু তাৰেই পৰিণতিত ৰাজ্যপালৰ নিৰ্দেশনাত ঘনশ্যাম দাসৰ কাৰ্যবাহী সদস্য পদ কৰ্তন কৰিলে অসম চৰকাৰৰ বড়োলেণ্ড কল্যান বিভাগৰ মুখ্য সচিব মুকেশ চন্দ্ৰ চাহুৱে। উল্লেখ্য যে লোকসভা নিৰ্বাচনৰ পূৰ্বে সাংসদ নৱ কুমাৰ শৰণীয়াৰ "ইউপিপিএলৰ সতে আমাৰ মিত্ৰতা নাই" বুলি দিয়া বক্তব্যৰ বাবেই ৰাজনৈতিক কাৰণত কোকৰাঝাৰ লোকসভা সমষ্টিত এনডিএৰ প্ৰাৰ্থীৰ জয়লাভৰ স্বাৰ্থত উক্ত কঠোৰ সিদ্ধান্ত লোৱা হৈছে বুলি অনুমান কৰা হৈছে।

# গোলাঘাটত বিহু কৰ্মশালাৰ সামৰণি

**ই-সংবাদ, খুমটাই, ৬ এপ্ৰিলঃ** গোলাঘাট জিলা পুথিভঁৰাল খেলপথাৰত দহদিনীয়াকৈ অনুষ্ঠিত বিহুনাচ আৰু ঢোলবাদনৰ কৰ্মশালাৰ আজি সফল সামৰণি পৰে। ২৬ মাৰ্চৰ পৰা অনুষ্ঠিত কৰ্মশালাত প্ৰায় দুই শতাধিক প্ৰশিক্ষাৰ্থীয়ে বিহু নাচ আৰু ঢোলবাদনৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। ঢোলৰ ওজা সঞ্জীৱ বৰা আৰু বিহুৱতী খিতাপ বিজয়ী বিষ্ণুপ্ৰিয়া গগৈয়ে প্ৰশিক্ষাৰ্থীসকলক বিহুনাচ আৰু ঢোলবাদনৰ প্ৰশিক্ষণ প্ৰদান কৰে। আজি কৰ্মশালাৰ সামৰণি অনুষ্ঠানত প্ৰশিক্ষণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে বিহুনাচ প্ৰদৰ্শন কৰি সকলোৰে অন্তৰ জয় কৰিবলৈ সক্ষম হয়। অনুষ্ঠানত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ গোলাঘাট নগৰ শাখা আৰু অলকানন্দা সামাজি সাংস্কৃতিক অনুষ্ঠানৰ তৰফৰ পৰা প্ৰশিক্ষকসকলক একোখনকৈ সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা লগতে ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সামৰণি অনুষ্ঠানত কৰ্মশালাত বিগত দহ দিন প্ৰশিক্ষণ গ্ৰহণ কৰা দুই শতাধিক ছাত্ৰ-ছাত্ৰীক একোখনকৈ মান পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানটোৰ শেষত আমন্ত্ৰিত কণ্ঠ শিল্পী সৌৰভ হাজৰিকা আৰু ৰাতুল পাপন নাথে গীত পৰিৱেশনেৰে অনুষ্ঠান জীপাল কৰি তোলে। সামৰণি অনুষ্ঠানত প্ৰশিক্ষক সঞ্জীৱ বৰা আৰুবিষ্ণুপ্ৰিয়া বৰা, 4H ক্লাবৰ সম্পাদক পঙ্কজ পূজাৰী, হিন্দু জাগৰণ মঞ্চৰ অচ্যুত নাথ, অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ অমিয় কুমাৰ বৰা, গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ যতীন নাথ, গোলাঘাটৰ বিশিষ্ট সমাজসেৱক কৈলাশ বৰা, গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ গোলাঘাট জিলাৰ জিলা প্ৰমুখ ড০ উৎপল শৰ্মা, গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ব্যৱসায় অধ্যয়ন বিভাগৰ মুৰব্বী অধ্যাপক তথা অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ গোলাঘাট নগৰ শাখাৰ সভাপতি বিশ্বজ্যোতি দলে, গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ভূগোল বিষয়ৰ মুৰব্বী অধ্যাপিকা নিতিমা শৰ্মা, গোলাঘাট পৌৰ সভাৰ ৱাৰ্ড কমিশ্যনৰ ৰশ্মিৰেখা দাস, অলকানন্দা সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ সদস্য পৰীক্ষিত শইকীয়া, শশাঙ্ক কলিতা, বিবেক গায়ন, কপূলকৃষ্ণ নাথ, কৌশিক কমল হাজৰিকা, মন ময়ূৰী দাস আৰু দশমী বৰা উপস্থিত থাকে।

## সৰ্বানন্দ সোণোৱালৰ বাসগৃহলৈ গৈ ল'লে আৰ্শীবাদ

# লুৰীণজ্যোতিৰ মূল্যবোধৰ ৰাজনীতিক লৈ এতিয়া সৰ্বত্ৰে চৰ্চা



**ই-সংবাদ, ডিব্ৰুগড়, ৬ এপ্ৰিলঃ** ৰাজনীতিত আদৰ্শ, মূল্যবোধ থাকে বুলি কোৱা হয়। কিন্তু অসমৰ ৰাজনীতিত মূল্যবোধ 'শব্দ' ব্যৱহাৰ কৰিব পৰাকৈ পৰিবেশ নোহোৱা হৈছে। শাসক-বিৰোধীৰ ৰাজনৈতিক শত্ৰুতা ব্যক্তিগত পৰ্যায়লৈ গৈ ইজন নেতাই, সিজন নেতাৰ বিৰুদ্ধে লাগ-বান নোহোৱা কথা কয়। কিন্তু শেহতীয়াকৈ দুই নেতাৰ ব্যৱহাৰে ৰাজনৈতিক ক্ষেত্ৰখনৰ প্ৰতি ৰুচিশীল মানুহক আপ্লুত কৰিছে। এই দুই নেতা হৈছে জিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱাল আৰু একেটা সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ। লুৰীণজ্যোতি গগৈ আৰু সৰ্বানন্দ সোণোৱালে সীমা উলংঘন নকৰাকৈ ইজনে-সিজনক সমালোচনা কৰিছে। একেটা ধৰ্মীয় অনুষ্ঠানত দুয়োজনে একেটা সময়ত উপস্থিত থাকি ইজনে-সিজনৰ সৈতে হাঁহি-মাতি সময় পাৰ কৰা দেখা গৈছিল। এইবাৰ লুৰীণজ্যোতি গগৈয়ে সৰ্বানন্দ সোণোৱালৰ ঘৰলৈ গৈ সৰ্বানন্দ সোণোৱালাৰ পৰিয়ালৰ জ্যেষ্ঠজনৰ আশীৰ্বাদ লৈছে। আজি প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বিন্ধাকতা মুলুকগাঁওস্থিত বাসগৃহত উপস্থিত হয় বিৰোধী ঐক্য মঞ্চৰ ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ। সৰ্বানন্দ সোণোৱালৰ বিন্ধাকতা মুলুকগাঁওস্থিত বাসগৃহত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ পৰিয়ালৰ সদস্যসকলৰ পৰা আশীৰ্বাদ লয় লুৰীণজ্যোতি গগৈয়ে। সৰ্বানন্দ সোণোৱালৰ জ্যেষ্ঠ ভাতৃৰ লগতে পৰিয়ালৰ লোকৰ সৈতে মত-বিনিময় কৰে লুৰীণজ্যোতি গগৈয়ে। ডিব্ৰুগড় লোকসভা সমষ্টিৰ মূল ৰাজনৈতিক প্ৰতিদ্বন্দ্বি সৰ্বানন্দ সোণোৱালৰ পৰিয়ালৰ সদস্যসকলক সাক্ষাৎ কৰি মূল্যবোধৰ ৰাজনীতিৰ কথা কয় লুৰীণজ্যোতি গগৈয়ে। অসম আৰু অসমৰ জাতীয় জীৱনৰ বাবে যাতে শক্তিশালী হৈ কাম কৰিব পাৰে তাৰ বাবে আৰ্শীবাদ বিচৰা বুলি কয় লুৰীণজ্যোতি গগৈয়ে। মূল্যবোধ আৰু আদৰ্শগত ৰাজনীতিৰ পৰিবেশ সৃষ্টিৰ এটা বাৰ্তা দিবৰ বাবে সৰ্বানন্দ সোণোৱালৰ গৃহত উপস্থিত হৈছো বুলি কয় লুৰীণজ্যোতি গগৈয়ে। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ডিব্ৰুগড়ৰ লোকসভা আসনত পৰিৱেশ আকৰ্ষনীয় উঠিছে। ভোটাৰক আকৰ্ষণ কৰিবলৈ শাসক-বিৰোধীয়ে ন ন কৌশল অৱলম্বন কৰি মাৰাথান প্ৰচাৰ অব্যাহত ৰাখিছে।

শেষ পৃষ্ঠা

# নিৰ্বাচনী জিলাৰ বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণ

**ই-সংবাদ, মৈৰাবাৰী, ৬ এপ্ৰিলঃ** সমাগত লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে নগাঁও লোকসভা সমষ্টিৰ অধীনৰ মৰিগাঁও নিৰ্বাচনী জিলাৰ ভোটগ্ৰহণৰ কামত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ কালিৰে পৰা আৰম্ভ হৈছে। প্ৰশিক্ষণৰ আজি দ্বিতীয় দিনা মৰিগাঁও মহাবিদ্যালয়, জি কে বি কলেজ আৰু মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত ভোটগ্ৰহণত নিয়োজিত প্ৰিজাইডিং আৰু দ্বিতীয় আৰু তৃতীয় পলিং বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। আজি মুঠ ২১১৬গৰাকী ভোটগ্ৰহণকাৰী বিষয়াৰ প্ৰশিক্ষণ সম্পন্ন হয়। কালি ২১১৬ গৰাকী প্ৰিজাইডিং আৰু প্ৰথম আৰু দ্বিতীয় পলিং বিষয়াৰ প্ৰশিক্ষণ সম্পন্ন হয়।

# ডিপ্তা সুৰাদী ময়দানত সমূহীয়া ইফতাৰ

**ই-সংবাদ, বৰমা, ৬ এপ্ৰিলঃ** শংকৰ-আজানৰ দেশত সম্প্ৰীতিৰ নিদৰ্শন দেখুৱাই আজি বৰমাৰ ডিপ্তা সুৰাদীত আজি সমূহীয়া ইফটাৰ অনুষ্ঠিত হয়। ডিপ্তা সুৰাদী মাহখৰীয়া ঈদগাহ সমিতিৰ উদ্যোগত আঞ্চলিক ঈদগাহ ময়দানত অনুষ্ঠিত সমূহীয়া ইফতাৰত সকলো ধৰ্মৰ লোকে অংশগ্ৰহণ কৰে। পৱিত্ৰ ৰমজান মাহৰ ২৬ ৰোজাৰ দিনটোত বিভিন্ন ক্ষেত্ৰৰ সৈতে জৰিত ব্যক্তিসকলৰ উপস্থিতিত সামূহীয়া ইফতাৰ অনুষ্ঠিত হয়। উপস্থিত সকলোৱে বিশ্বশান্তিৰ বাবে দোৱা কৰে।






তপন গগৈক জিকাবই লাগিব! যোৰহাটত উঠি-পৰি লাগিছে মুখ্যমন্ত্ৰী

# যাত্ৰীৰ মহানুভৱতা, অসহায় উবেৰ চালকৰ কন্যাৰ বাবে কিনি দিলে স্কুলবেগ

**ই-সংবাদ, ৬এপ্ৰিলঃ** চালক আৰু যাত্ৰীৰ মাজৰ সম্পৰ্ক যে কেৱল আৰু যাত্ৰাতে সীমাবদ্ধ নহয়, সেই কথাই প্ৰমাণ কৰি দেখুৱালে এগৰাকী যাত্ৰীয়ে। যাত্ৰাৰ সময়ত চালকৰ আৰ্থিক দুৰ্দশাৰ বিষয়ে জানিব পাৰি মহানুভৱতাৰ উপহাৰেৰে পূৰ্ণ কৰি তুলিলে সেই যাত্ৰাৰ সময়। এই বিষয়ে সামাজিক মাধ্যমত লিখিছে কিৰণ বাৰ্মা নামৰ যাত্ৰীগৰাকীয়ে। তেওঁ প্ৰকাশ কৰা মতে, উবেৰত তেওঁ যাত্ৰা কৰি থকাৰ সময়ত চালকজনলৈ বাৰে বাৰে কন্যাই ফোন কৰি থকা শুনিবলৈ পাইছিল। চালকৰ কন্যাই এটা নতুন স্কুল বেগ কিনি আনিবলৈ পিতৃৰ ওচৰত আব্দাৰ কৰিছিল। কিন্তু চালকজনে তেওঁৰ পত্নীক বাৰে বাৰে কৈছিল যে এটা নতুন বেগ কিনিবলৈ তেওঁৰ ওচৰত এতিয়া ধন নাই। অলপতে কন্যাৰ বাবে স্কুলৰ কিতাপ কিনিছেহে মাত্ৰ, ঘৰ ভাড়া আৰু মাহিলী বিল এতিয়াও দিবলৈ বাকী। পিতৃ-কন্যা আৰু পত্নীৰ এই ফৌনিক কথপোকথনৰ বিষয়ে শুনিবলৈ পাৰি যাত্ৰীৰ আসনত বহি থকা কিৰণ বাৰ্মা নামৰ ব্যক্তিজনে চালকৰ কন্যাৰ বাবে এটা স্কুল বেগ কিনি দিয়াৰ মনস্থ কৰে। সেই অনুসৰি চালকজনক তেওঁ এখন ষ্ট'ৰলৈ লৈ গৈ তাত কন্যাৰ বাবে এটা ধুনীয়া স্কুল বেগ ক্ৰয় কৰি দিয়ে। কিৰণ বাৰ্মাই তেওঁৰ ছ'চিয়েল মিডিয়া পোষ্টত লিখিছে, "মই তেওঁৰ হাতত বেগটো তুলি দিয়াত তেওঁৰ চকুত যি আনন্দ মই দেখিছিলোঁ, সেয়া মোৰ বাবে অত্যন্ত সুখদায়ক আছিল। মই তেওঁক কৈছিলো যে এই বেগটো কন্যাক দিয়াৰ পিছত তাইৰ এখন ফটো মোলৈ পঠিয়াব। যেতিয়া মোলৈ তেওঁ কণমানিজনীৰ ফটোখন পঠিয়াইছিল, সেয়া দেখি তাইক মোৰ দেৱকন্যাৰ দৰে লাগিছিল।" কিৰণ বাৰ্মাই তেওঁ পোষ্টত আগলৈ লিখিছে, 'মাত্ৰ দয়ালু হওক আৰু আৰ্তজনক সহায় কৰক। দেখিব, পৃথিৱীখন সঁচাই বৰ ধুনীয়া।' এই পোষ্টটো অনলাইনত প্ৰকাশ পোৱাৰ লগে লগে ছ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীৰ পৰা ইতিবাচক প্ৰতিক্ৰিয়া লাভ কৰিবলৈ সক্ষম হৈছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান